# অসমীয়া পৰম্পৰাগত আ-অলংকাৰ ঃ এক অধ্যয়ন

ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতক ষষ্ঠ ষান্মাসিকৰ অসমীয়া **DSE - 3(H)**
কাকতৰ বাবে প্ৰস্তুত কৰা প্ৰকল্প


তত্ত্বাৱধায়ক
ডঃ দেৱপ্ৰতীম হাজৰিকা
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ

প্ৰস্তুতকৰ্তা
শিখা শইকীয়া
স্নাতক ষষ্ঠ ষান্মাসিক
অসমীয়া বিভাগ
**Roll No-** 30810159
**Registration No-** S1921762


নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ, যোৰহাট
ইং- ২০২২ বৰ্ষ

# অসমীয়া বিভাগ
## নন্দনাথ শইকীয়া মহাবিদ্যালয়
তিতাবৰ, জিলা- যোৰহাট ,অসম, পিন- ৭৮৫৬৩০

প্ৰসঙ্গ নং.........

তাৰিখ ঃ ০৭০৭.২০২২

### প্ৰমাণ পত্ৰ

শ্ৰীমতী শিখা শইকীয়া স্নাতক ষষ্ঠ ষাণ্মাসিক কলা শাখাৰ (বিশ্ববিদ্যালয়ৰ ৰোল নম্বৰ ঃ ৩০৮১০১৫৯) ৰ ছাত্ৰী। তেওঁ ড° দেৱপ্ৰতিম হাজৰিকাৰ তত্বাৱধানত **DSE-3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ **"অসমীয়া পৰম্পৰাগত আ-অলংকাৰ"** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

বিভাগীয় প্ৰধান
অসমীয়া বিভাগ,
নন্দনাথ শইকীয়া মহাবিদ্যালয়,
তিতাবৰ।

Head
Department of Assamese
Nanda Nath Saikia College
Titabar

ড° দেৱপ্ৰতীম হাজৰিকা
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়
তিতাবৰ, জিলা- যোৰহাট- ৭৮৫৬৩০

দূৰভাষ: ৯০০২৮৬২৩৭১
ইমেইল : dprotim@gmail.com

প্ৰসংগ নং.........

তাৰিখ: ১২/০৭/২০২২

## প্ৰমাণ পত্ৰ

ইয়াৰ দ্বাৰা প্ৰমাণ পত্ৰ দিয়া হয় যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া (উচ্চমান) বিষয়ৰ **DSE-3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰস্তুত কৰিবলগা প্ৰকল্পৰ বাবে শ্ৰীমতী শিখা শইকীয়াই মোৰ তত্ত্বাৱধানত **অসমীয়া পৰম্পৰাগত আ-অলংকাৰ : এক অধ্যয়ন** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। প্ৰকল্পৰ বাবে কৰা ক্ষেত্ৰ অধ্যয়ন তেওঁৰ নিজা প্ৰচেষ্টাৰ ফল। ছাত্ৰীগৰাকীয়ে প্ৰকল্পৰ বাবে প্ৰয়োজনীয় সকলো নিয়ম আৰু গৱেষণা পদ্ধতি মানি চলিছে। প্ৰকল্পৰ কোনো অংশ তেওঁ পূৰ্বতে প্ৰকাশ কৰা নাই।

তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

দেৱপ্ৰতীম হাজৰিকা

(ড° দেৱপ্ৰতীম হাজৰিকা)

Department of Assamese
Date ............

# কৃতজ্ঞতা জ্ঞাপন

"অসমীয়া পৰম্পৰাগত আ-অলংকাৰৰ এক অধ্যায়" এই সমীক্ষা শিৰ্ষক গৱেষণা গ্ৰন্থখন দেৱপ্ৰতীম হাজৰিকা ছাৰৰ তত্বাবধানত প্ৰস্তুত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

বিষয়বস্তু নিৰ্বাচনৰ পৰা আদি কৰি গৱেষণা বিষয়ত বহুতো দিহা পৰামৰ্শ আগবঢ়াই আৰু লগতে বিভিন্ন সমস্যা সমূহৰ সমাধানৰ ক্ষেত্ৰত ছাৰে সম্পূৰ্ণ সহযোগিতা আগবঢ়াই এই গৱেষণা পত্ৰখন প্ৰস্তুত কৰাত সহায় আগবঢ়ালে যাৰ বাবে তেখেতৰ ওচৰত চিৰ কৃতজ্ঞ।

তিতাবৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমূখ্য কৰি অসমীয়া বিভাগৰ সমূহ কৰ্মকৰ্তাৰ লগতে মোৰ গৱেষণা পত্ৰত সহযোগিতা আগবঢ়োৱা মহিমাবাৰী গাৰঁৰ পুষ্প হাজৰিকা আৰু জোনালী দাস বাইদেউকো অশেষ ধন্যবাদ জনালো।

ডি.টি.পিত সহায় কৰা মহিমাবাৰী অঞ্চলৰ প্ৰকাশ বৰা আৰু মোৰ মা-দেউতাৰ লগতে দাদাই যি সহায় কৰিছিল তাৰবাবে সকলোৰে ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰ'লো।

শিখা শইকীয়া
স্নাতক ষষ্ঠ যান্মাসিক
অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ।

# সূচীপত্ৰ


০.০ অৱতৰণিকা

০.১ বিষয়ৰ পৰিচয়

০.২ বিষয়ৰ প্ৰয়োজনীয়তা

০.৩ পূৰ্বকৃত অধ্যয়ন

অধ্যায় - ১

১.০ অসমীয়া পৰম্পৰাগত আ- অলংকাৰ ইতিহাস আৰু পৰিচয়

অধ্যায়- ২

২.০ অসমীয়া পুৰুষসকলৰ আ- অলংকাৰ

অধ্যায়- ৩

৩.০ অসমীয়া মহিলাসকলৰ আ- অলংকাৰ

অধ্যায়- ৪

৪.০ অসমীয়া জনগোষ্ঠীয় সম্প্ৰদায়ৰ আ-অলংকাৰ

৪.১ বড়ো জনগোষ্ঠীৰ আ- অলংকাৰ

৪.২ মিচিং জনগোষ্ঠীৰ আ- অলংকাৰ

৪.৩ কাৰ্বি জনগোষ্ঠীৰ আ- অলংকাৰ

অধ্যায় - ৫

৫.০ উপসংহাৰ

গ্ৰন্থপঞ্জী

প্ৰসঙ্গ টোকা

তথ্য দাতাৰ তালিকা

## ০.০ অৱতৰনিকা

### ০.১ বিষয়ৰ পৰিচয়

সৌন্দৰ্যৰ প্ৰতি মানুহৰ হাবিয়াস চিৰদিনীয়া। নীলা আকাশত বিজুলীৰ চমকনিয়ে উজ্বলতা বঢ়োৱাৰ দৰে সুৰুচিপুৰ্ণভাৱে পৰিধেয় অলংকাৰে মানুহৰ স্বাভাৱিক সৌন্দৰ্যত চাৰুত্ব প্ৰদান কৰে। যুগ- যুগান্তৰৰ পৰা মানুহে আ- অলংকাৰ আৰু সাজ-পাৰৰ প্ৰতি দুৰ্বলতা প্ৰকাশ কৰি আহিছে। স্থাপত্য- ভাস্কৰ্য্য, শিল্পকলা-চিত্ৰকলা, কাব্য আদিত অলংকাৰৰ নিপুন ব্যৱহাৰ আমি অতীজৰে পৰা পাই আহিছো। আ-অলংকাৰত শিল্পীৰ চাৰু আৰু কাৰু কলাৰ অপুৰ্ব আৰু সুক্ষ্ম নিদৰ্শন দেখা যায়। জন বিশ্বাসত অলংকাৰৰ স্থান অভূতপূৰ্ব । পুৰুষ-মহিলা নিৰ্বিশেষে প্ৰায় সকলোৱে আ-অলংকাৰ পৰিধান কৰে। সৌন্দৰ্যবোধৰ পৰিণতিয়েই হল সভ্যতা। সভ্যতা অৱশ্যে নানা উপকৰণৰ যৌগিক সংমিশ্ৰণ। সভ্যতাৰ মাপকাঠি যিয়েই নহওক, দেহ সজ্জাৰ সামগ্ৰী স্বৰূপে আ-অলংকাৰবোৰ কোন কাহানিবাই সভ্যতাৰ প্ৰতীক হৈ পৰিল। সুন্দৰ আ-অলংকাৰৰ নিৰ্মাণ আৰু পৰিধান সুৰুচিৰ পৰিচায়ক। আ-অলংকাৰ নিৰ্মাণৰ পৰিকল্পনা, তাৰ নিৰ্মাণৰ শ্ৰেষ্ঠতা আৰু বাছনি মানুহৰ নান্দনিক অনুভূতিৰে ওতপ্ৰোতভাৱে জড়িত।

অসমীয়া লোক- সংস্কৃতিৰ ভাণ্ডাৰ বিস্তৃত কৰাত গুৰুত্বপূৰ্ণ তথা উমৈহতীয়া ভূমিকা পালন কৰিছে অসমীয়া পৰম্পৰাগত আ- অলংকাৰ সমুহে। অসমীয়া সমাজত তথা লোক সংস্কৃতিত আ- অলংকাৰৰ গুৰুত্ব যথেষ্ট বেছি। অসমীয়া সংস্কৃতিৰ পৰম্পৰাগত উৎসৱ-পাৰ্বন, অসমীয়া সংস্কৃতিৰ বিবাহ, ধৰ্মীয় অনুষ্ঠান আদিত পৰম্পৰাগত আ-অলংকাৰ ব্যৱহাৰ কৰাটো হৈছে অসমীয়া কৃষ্টিৰ প্ৰথা। এই প্ৰথা অসমীয়া কৃষ্টিত অতীজৰে অৰ্থাৎ মানুহে পোন-প্ৰথমে অলংকাৰ ব্যৱহাৰ কৰা সময়ৰ পৰা সময়ানুক্ৰমে চলি আহিছে। যিহেতু সময়ৰ পৰিবৰ্তনৰ লগে লগে মানুহৰ জীৱন-ধাৰণ, আচাৰ- ব্যৱহাৰ, কৃষ্টি- সংস্কৃতিয়ে পৰিবৰ্তন সাধন কৰে। ফলস্বৰূপে অসমীয়া সংস্কৃতিৰ অৰ্ন্তগত পৰম্পৰাগত আ-অলংকাৰ তথা সেইসমূহৰ ব্যৱহাৰৰ ক্ষেত্ৰত অতীজৰে পৰা বৰ্তমান সময়লৈকে যথেষ্ট পাথৰ্ক্য পৰিলক্ষিত হয়।

সৌন্দৰ্যানুভূতি মানুহৰ আভ্যন্তৰীন শিল্পমনৰ পৰিচায়ক তথা সভ্যতা বিকাশৰ অন্যতম বাহক। মানুহৰ মনৰ চিৰপ্ৰবাহিত সৌন্দৰ্যানুভূতি আদিবোৰ ভিন্ন শিল্পকৰ্ম প্ৰকাশমান হৈ আহিছে। আ-অলংকাৰ, সাজ-পাৰ, চিত্ৰ,স্থাপত্য- ভাস্কৰ্য আদি সকলোকে সুদূৰ অতীজৰে পৰা মানুহে সুন্দৰ ৰূপত নিৰ্মাণ কৰি শিল্পমন তথা সৌন্দৰ্যানুভূতিক ধৰি ৰাখিবলৈ প্ৰয়াস কৰি আহিছে। নীল আকাশত ৰাতি তৰাৰ তিৰবিৰণিয়ে এটি নান্দনিক সৌন্দৰ্যানুভূতি তথা উজ্বলতা বঢ়োৱাৰ দৰে সুৰুচিপুৰ্ণভাৱে পৰিধান কৰা অলংকাৰে মানুহৰ স্বাভাৱিক সৌন্দৰ্যত চাৰুত্ব প্ৰদান কৰে। সেয়ে অতীতৰে পৰা মানুহে অলংকাৰৰ প্ৰতি স্বাভাৱিক দুৰ্বলতা প্ৰকাশ কৰি আহিছে।

মানুহৰ স্বাভাৱিক বুদ্ধিশক্তি আৰু সৃজনী প্ৰতিভাৰ ফলস্বৰূপেই আদিম মানৱে প্ৰকৃতিৰ বিভিন্ন উপাদানৰ পৰা আৰু সভ্যতাৰ বিকাশত ধাতুৰ শিল্প আবিষ্কাৰে ধাতুৰ পৰাও আ- অলংকাৰ নিৰ্মাণ কৰি লৈছিল। বিভিন্ন ধৰণৰ ফুল,গছৰ গুটি, জীৱ-জন্তুৰ শিং, দাঁত, চৰাইৰ পাখি আদিবোৰেই আছিল আদিম মানৱৰ অলংকাৰৰ নমুনা। আনহাতে ধাতুৰ শিল্প আদিৰ পৰা সামৰ্থ অনুযায়ী অলংকাৰ তৈয়াৰ কৰি শৰীৰৰ বিভিন্ন অংগত পৰিধান কৰি সৌন্দৰ্যানুভূতি তথা বীৰত্ব আৰু চিকাৰ পটুতাৰে পৰিচয় প্ৰদৰ্শন কৰিছিল।

সাধাৰণ অৰ্থত অলংকাৰ হৈছে মানৱ দেহৰ ভূষণ। অলংকাৰে দেহৰ সৌন্দৰ্য বৃদ্ধি কৰে। বিচিত্ৰ কাৰুকাৰ্য খচিত পৰিমাৰ্জিত অলংকাৰে নাৰী দেহৰ সৌন্দৰ্য- সুষমাক মনোৰমা, মনোহৰা কৰি তোলে। কিন্তু অপৰিমিত অলংকাৰে শোভাবৰ্দ্ধন কৰাতকৈ সৌন্দৰ্যক ম্লানহে কৰে সাহিত্যৰ ক্ষেত্ৰতো একে কথায়ে প্ৰযোজ্য হয়। সাহিত্যক লালিত্যপূৰ্ণ তথা ব্যঞ্জনাময় কৰি তুলিবৰ বাবে অলংকাৰৰ বিশেষ প্ৰয়োজন আছে। উদাহৰণ স্বৰূপে এগৰাকী উকা ডিঙিৰ নাৰীৰ দেহ কান্তি যিমানেই লাৱণ্যময়ী নহওক কিয়, তথাপি ভাৱ হয় যে কিবা

শূণ্যতা আছে। ইয়াৰ মূলতে হল সাহিত্যকো সজাই পৰাই তুলিব নোৱাৰিলে তাৰ সৌষ্ঠৱ বৃদ্ধি নহয়। গতিকে সাহিত্যত যিদৰে অলংকাৰ,সাজ-সজ্জাৰ গুৰুত্ব অপৰিসীম, ঠিক সেইদৰে মানৱ জীৱনত অতীজৰে পৰা আ-অলংকাৰৰ গুৰুত্ব অপৰিসীম।

## ০.২ বিষয়ৰ প্ৰয়োজনীয়তা

একোটা জাতিৰ লোক-সংস্কৃতি বুলিলে জাতিটোৰ বৈশিষ্ট্যসূচক শিল্প,সাহিত্য, বিশ্বাস, সমাজনীতি, ধৰ্মীয় ৰীতি- নীতি, কৃষ্টি, কৰ্ম, কৃষি, শিক্ষাগত মানদণ্ড, চৰ্চা- প্ৰণালী, কলা, ৰুচি আদিৰ সমাৱেশক একেলগে সংস্কৃতি বা কৃষ্টি বুলিব পাৰি। বিভিন্ন ভাষা- ভাষী জাতি-জনজাতিৰে গঠিত অসমীয়া সংস্কৃতিৰ পৰিসৰ যথেষ্ট বিস্তৃত। অসমীয়া সংস্কৃতিৰ অন্যতম প্ৰতীকৰ ভিতৰত তামোল-পাণ, শৰাই, গামোচা, জাপি আদিয়ে প্ৰধান। তদুপৰি অসমীয়া লোক-সংস্কৃতিৰ ভঁৰাল চহকী কৰাত অভূতপূৰ্ব অৱদান আগবঢ়োৱা বিশেষ কাৰকসমূহৰ ভিতৰত অসমীয়া সংস্কৃতিৰ উৎসৱ- পাৰ্বণ, অসমীয়া সংগীত, অসমীয়া সংস্কৃতিৰ পৰম্পৰাগত আ-অলংকাৰ, অসমীয়া পৰম্পৰাগত সাজ-পাৰ, অসমীয়া সংস্কৃতিৰ খাদ্য, অসমীয়া সংস্কৃতিৰ শিল্প-কলা আদিয়ে অন্যতম। জাতিৰ লোক-সংস্কৃতিৰ স্বৰূপ লোক সাহিত্যত আৰু লোক বিশ্বাসত প্ৰকাশ পায়। অসমীয়া লোক সংস্কৃতিৰ বিষয়ে চৰ্চা কৰিবলৈ সেইবাবে প্ৰথম অসমৰ অলিখিত অমূল্য সাহিত্যৰাজিৰ সংগ্ৰহ আৰু বিশেষণৰ প্ৰয়োজন। জাতিৰ আদিম অৱস্থাৰ পৰা সভ্য স্তৰলৈকে আঁত নিছিগাকৈ চলি অহা জনশ্ৰুতিয়েই হল লোক- সাহিত্য। ই গদ্য- গীত দুয়ো ৰূপতেই যুগ যুগ ধৰি সমাজৰ মুখে মুখে সৃষ্ট তথা সংৰক্ষিত। ধৰ্মীয় অনুষ্ঠান পূজা-পাতল, লোক-বিশ্বাস, নিয়ম- কানুন, সাধু, উপাখ্যান, নৃত্য- নাট্য , ক্ৰীড়া কৌতুক এই সকলোৰে সমাহাৰত লোক সংস্কৃতিয়ে পূৰ্ণ ৰূপ অৰ্জন কৰে। মানৱ জাতিয়ে যুগ যুগ ধৰি যি অভিজ্ঞতা লাভ কৰিলে সেই সকলোৰে সমাহাৰ সাহিত্য তথা লোক বিশ্বাস।

## ০.৩ পূৰ্বকৃত অধ্যয়ন

অসমীয়া পৰম্পৰাগত আ-অলংকাৰসমূহৰ বিষয়ে কোনেও পূৰ্বতে অধ্যয়ন কৰা নাই এনে নহয়। পৰম্পৰাগত আ-অলংকাৰসমূহৰ বিষয়ে যুগল দাসৰ দ্বাৰা ৰচিত " গহনা-গাঁঠৰি" নামৰ কিতাপখনত সুন্দৰভাৱে বিশ্লেষণ কৰা হৈছে । অলংকাৰৰ সম্পৰ্কে তথা অলংকাৰসমূহ আদিম যুগতে সৃষ্টি হৈছিল আৰু কোনবিধ অলংকাৰ ক'ত পৰিধান কৰা হয় তাৰ বিষয়ে যুগল দাসে " গহনা- গাঁঠৰি" কিতাপখনত বিস্তৃত আলোচনা দাঙি ধৰা হৈছে। এই গ্ৰন্থখনত আহোম যুগত প্ৰচলিত আ-অলংকাৰৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে।

ড. মৃণালী কাগয়ুং ৰ ' অসমৰ সংস্কৃতি অধ্যয়ন 'নামৰ গ্ৰন্থখনত অসমীয়া আ-অলংকাৰ এক আলোচনা দাঙি ধৰিছে। অসমীয়া পুৰুষ- মহিলা উভয়ে কেনেধৰণৰ আ- অলংকাৰ পৰিধান কৰে সেই বিষয়ে এই গ্ৰন্থখনত আলোচনা কৰা হৈছে লগতে বিভিন্ন জাতি জনজাতিসকলে কেনেধৰনৰ অলংকাৰ পৰিধান কৰে তাৰ বিষয়েও আলোচনা কৰা হৈছে।

## অধ্যায় - ১

### ১.০- অসমীয়া পৰম্পৰাগত আ-অলংকাৰৰ ইতিহাস আৰু পৰিচয়ঃ

আ- অলংকাৰ পৰিধান কৰা পৰম্পৰা কথা আঁত বিচাৰি আদিম চিকাৰী মানুহৰ জীৱনধাৰা আৰু মনোবৃত্তিৰ অধ্যয়ন কৰিব লাগিব। কাৰণ আদিম চিকাৰীজীৱি মানুহেই প্ৰথম অলংকাৰ পৰিধান কৰিছিল বুলি গৱেষক পণ্ডিতসকলে ধাৰণা কৰিছে। অৱশ্যে প্ৰথম অৱস্থাত আদিম মানৱে জীয়াই থাকিবলৈ হাবি বা অৰণ্যত খাদ্য সংগ্ৰহ কৰাই মুখ্য কাম আছিল। পোনতে গছৰ ফল-মূল, আলু- কচুৱেই আছিল আদিম মানৱৰ খাদ্য। ক্ৰমান্বয়ে যেতিয়া তেওঁলোকৰ মনলৈ বনৰীয়া জীৱ- জন্তু চিকাৰ কৰাৰ ধাৰণা আহিল আৰু তেতিয়াই সেইসমুহ বধ কৰিবলৈ কাঠ- বাঁহ আৰু অৱশেষত জোঙা-জোঙা শিলৰ অস্ত্ৰ নিৰ্মাণ কৰা কথা ভাবিলে। কাঠ-বাঁহ তথা শিলৰ অস্ত্ৰ নিৰ্মাণৰ পিছত ধাতুৰ সা-সঁজুলি বা অস্ত্ৰ- সস্ত্ৰ তৈয়াৰ কৰিব পৰা হ'ল আৰু বনৰীয়া জীৱ-জন্তু সহজতে চিকাৰ কৰি খাদ্য হিচাপে গ্ৰহণ কৰিবলৈ শিকিলে। অতিকায় জীৱ-জন্তুৰ দাঁত, পাখি,ছাল,নখ, আদিবোৰক ক্ৰমাৎ তেওঁলোকে বীৰত্ব আৰু চিকাৰ পটুতাক আনৰ আগত প্ৰদৰ্শন কৰাৰ মানসিকতাৰে গাৰ বিভিন্ন অংগত পিন্ধিবলৈ বা আঁৰি লবলৈ ধৰাই অলংকাৰ উৎপত্তিৰ প্ৰথম পৰ্ব বুলি কব পাৰি। ইয়াৰ পিছত মানুহৰ মানসিক বিকাশ তথা সভ্যতা বিকাশৰ লগে লগে সৌন্দৰ্যানুভূতিৰ ফলতো অলংকাৰ পিন্ধাৰ প্ৰয়োজনীয়তা অধিক হ'ল যেন ধাৰণা হয়। অলংকাৰ পৰিধান কৰাৰ প্ৰবৃত্তি মানুহৰ মনলৈ কেনেকৈ আহিল এই সম্পৰ্কে যুগল দাসৰ গহণা-গাঠৰি নামৰ গ্ৰন্থখনত সুন্দৰভাৱে দাঙি ধৰা হৈছে। আদিম মানুহে পশু-পক্ষীৰ নখ, পাখি,দাঁত, ছাল আদি আনি গাত পিন্ধিবলৈ বা আৰিবলৈ ল'লে। এনে আচৰণৰ দুটা ব্যাখ্যা হ'ব পাৰে। প্ৰথমটো হ'ল দুৰ্দান্ত বা দুষ্প্ৰাপ্য পশু-পক্ষী হত্যা কৰাৰ গৌৰৱ অৰ্জন আৰু তাৰ পাখি,নখ,দাত ,ছাল আদিৰে নিজৰ বীৰত্ব দেখুওৱা। দ্বিতীয়তে এটা জন বিশ্বাস বা যাদু বিশ্বাসেও এনে ক্ষেত্ৰত প্ৰক্ৰিয়া কৰে বুলি পণ্ডিতসকলে অনুমান কৰে। সেই বিশ্বাসটো হ'ল আদিম লোকে হয়তো ধাৰণা কৰিছিল যে বধ কৰা জন্তু বা পক্ষীৰ পৰাক্ৰমৰ শোণিতধাৰা তাৰ পাখি,নখ, দাঁত ছালৰ জৰিয়তে পৰিধান কৰা চিকাৰীৰ দেহলৈ প্ৰৱাহিত হৈ মানুহক শক্তিমন্ত কৰি তোলে। প্ৰচলিত প্ৰথা অনুসৰিয়েই আজিও অনেক মানুহে বাঘ নখৰ মাদলি কৰি পিন্ধা দেখা যায়। অভিজাত শ্ৰেণীয়ে নানা কাৰুকাৰ্য খচিত বাঘ নখৰ কণ্ঠহাৰ পৰিধান কৰিছিল। আৰু এটা উদাহৰণ উল্লেখ কৰিব পাৰি। গঁড় এটা অতিকায় জন্তু। ই অতি হিংস্ৰ আৰু তাৰ আগত পৰিলে প্ৰাণ লৈ উভতি অহাটো এক প্ৰকাৰ অসম্ভৱ। গঁড়ৰ ছাল বৰ ডাঠ, সহজে গুলিবিদ্ধ কৰিব নোৱাৰি। আগৰ দিনত গঁড়ৰ ছালেৰে বৰ্ম,ঢাল, বাৰুদ সাজি মানুহে যুঁজ কৰিছিল। গঁড়ৰ অকল ছালহে গুণ থকা নহয়, গঁড়ৰ মঙহ খালে মানুহৰ চৰ্মৰোগ নহয় বুলি এটা জন বিশ্বাস আছে। সেয়ে মানুহে গঁড়ৰ মঙহ পালে খাবলৈ বিচাৰে। নাপালে অকনমান গঁড়ৰ মঙহত ৰূপ খটুৱাই আঙঠি বা মাদলি গঢ়ি দেহত ধাৰণ কৰে। জন- বিশ্বাস মতে গঁড়ৰ মঙহ গাত থাকিলে অৰ্শৰোগো হবলৈ নাপায়। অৱশ্যে ইয়াক দ্ৰব্যগুণৰ প্ৰভাৱ বুলিও বিশ্বাস কৰিব পাৰি। ইয়াৰ পৰাই তাবিজ আৰু মাদলিৰ প্ৰচলন হবলৈ ধৰিলে। সোণ,ৰূপ বা সাধাৰণতে তামেৰে গঢ়া তাবিজ বা মাদলিক ৰক্ষা কৱচ হিচাপে অনেকে বাহুত বা ডিঙিত পিন্ধে। তাবিজ বা মাদলিৰ ভিতৰত কিবা ঔষধ বা মন্ত্ৰপূত লেখা কাগজ বা পাত থাকে, মুখ খন লাৰে শালি দিয়া হয়। বেমাৰ- আজাৰ বা দেও-ভূতৰ পৰা ৰক্ষা পোৱাৰ বিশ্বাসত ইয়াক ধাৰণ কৰা হয়। গহণা-গাঁঠৰিৰ লগত কেতিয়াবা কুসংস্কাৰো জড়িত হৈ থাকে। উত্তৰ ভাৰতৰ কিছুমান গ্ৰাম্য অঞ্চলত প্ৰথম পত্নীৰ অকাল মৃত্যুত দ্বিতীয়া পত্নী গ্ৰহণ কৰিলে দ্বিতীয় পক্ষৰ পত্নীয়ে এচটা ৰূপ বা সোণৰ লটকণত প্ৰথম পত্নীৰ মূৰ্তি এটা খোদাই কৰি ডিঙিত পিন্ধা নিয়ম, যাতে প্ৰথম পত্নীৰ প্ৰেতাত্মাই দ্বিতীয় পত্নীৰ পিছ ল'ব নোৱাৰে। একে ধৰনে বসন্ত ওলোৱা মানুহেও শীতলা দেৱীৰ মূৰ্তি থকা গহণা পিন্ধি পুনৰ বসন্ত ৰোগৰ পৰা অব্যাহতি

লাভ কৰিবলৈ বাঞ্চা কৰে।

আদিম বা জনজাতীয় মানুহৰ এনেবোৰ আচৰণে পোন পতিয়াকৈ তেঁওলোকৰ সৌন্দৰ্যবোধ বা অংগ শোভনৰ প্ৰবৃত্তি প্ৰমাণ নকৰে। এইবোৰ দৰাচলতে জটিল ধৰণৰ আচৰণ। এনে আচৰণতে সৌন্দৰ্যবোধৰ বীজ লুকাই থাকে। এনেবোৰ আচৰণ বংশানুক্ৰমে প্ৰচলিত হৈ থকাৰ পিছত অতৰ্কিতে তাৰ ব্যতিক্ৰমনত খোকোজা লাগে। ভাল বেয়া বিবেচনাৰ ফলত তেতিয়াই সৌন্দৰ্যবোধে ভুমুকি মাৰে। অৱশ্যে আজিৰ সুসভ্য মানুহৰ মনত আদিমবাসীৰ এনেবোৰ আচহুৱা আচৰণ অতি বিসদৃশ লগাতো স্বাভাৱিক। আমি এইখিনিতে মনত ৰখা প্ৰয়োজন যে সৌন্দৰ্যৰ ধাৰণা ধানটোৰে প্ৰতি কণটো আৰু মানুহটোৰে প্ৰতি মনটোৰ দৰে প্ৰত্যেক জাতিৰ আৰু অনেক সময়ত প্ৰত্যেকৰে সুকীয়া সুকীয়া। একোটা আচৰণ বংশানুক্ৰমে প্ৰচলিত হোৱাকে যদি আমি শিকনি বোলো তেন্তে এনে ধৰণৰ শিকনিয়ে আমি তত ধৰিব নোৱাৰাকৈ মানুহৰ মনত সৌন্দয্যবোধৰ বীজ অংকুৰিত কৰে।

মানুহৰ আন এটা ধাৰণা, সকলো মূল্যবান আৰু আপুৰুগীয়া সামগ্ৰীয়েই ধুনীয়া। পূৰ্বতে মানুহে হাবিৰ লতা এডালকে মন গ'লে টান মাৰি চিঙি আনি হাতত বা ডিঙিত মেৰিয়াই পিন্ধিছিল। সেই স্বভাৱ আজিও অনেক জনজাতীয় মানুহৰ মাজত ৰৈ গ'ল। বহু দুৰলৈ যাবই নালাগে, এনে উদাহৰণ আমাৰ চুবুৰীয়া অৰুণাচলৰ অনেক মানুহৰ মাজত বিচাৰিলেই পোৱা যায়। অৰুণাচলৰ কনিয়াক, নক্তে আদি জাতিৰ গাভৰুৱে বুকু, ককাল আৰু হাতত লতা মেৰিয়াই লয়। পিছলৈ ধাতু আৱিস্কাৰ হোৱাত অনেক লোকে ধাতুৰ, বিশেষকৈ লোৰ বেৰি সাজি ডিঙি, হাত আৰু ভৰিত পিন্ধবলৈ ধৰিলে। আমাৰ গাঁৱে-ভূঞে আজি কোপতি বাঁহেৰে সজা কাঁকৈ ফণি দেখা যায়। বাঁহৰ কাঁকৈ ফণি লোককলাৰ এপদ আপুৰুগীয়া সম্পদ। এই সম্পদ জনজাতীয় সংস্কৃতিত বাৰুকৈয়ে সোমাই পৰিছে। বড়ো সম্প্ৰদায়ৰ বিবাহ কাৰ্যত বাঁহৰ কাকৈখন এক অপৰিহায্য উপকৰণ।

গহনা-গাঁঠৰিৰে দেহসজ্জাৰ মনোবৃত্তি যে অতি প্ৰাচীন তাত কোনো সন্দেহ নাই। কোনো প্ৰকাৰৰ ধাতু আৱিস্কাৰ নোহোৱালৈকে আৰু তাৰ ব্যৱহাৰ নজনালৈকে মানুহে প্ৰকৃতিজাত আহিলাৰে অলংকাৰ প্ৰস্তুত কৰি লৈছিল। মৰা জন্তুৰ ৰগেৰে বা বটিয়াৰে গছৰ পাত গোঁঠাৰ দৰে শিলৰ টুকুৰা, শামুকৰ খোলা বা হাড়ৰ টুকুৰাৰে মালা গাঁঠি তাক অলংকাৰ স্বৰূপে পৰিধান কৰিছিল। কুৰি হাজাৰ বছৰ আগৰ সৰু সৰু শামুকৰ খোলাৰে গোঁঠা এনে এধাৰ মালা য়ুৰোপৰ গুহামানৰ 'ক্ৰ' মেগমন বোৰৰ দিনৰ বুলি নিৰ্মিত হৈছে। এতিয়ালৈকে আৱিস্কৃত হোৱা এনে ধৰণৰ এইডালেই প্ৰাচীনতম অলংকাৰ।

ধাতুৰ আৱিস্কাৰে অলংকাৰ নিৰ্মানত এক আমূল পৰিৱৰ্তন আনি দিলে। আগৰদৰে ওঁঠ, নাক আৰু কানত চৰাইৰ পাখী, বাঁহ-কাঠৰ শলা বা বন-বিৰিণা নুগুজি মানুহে ধাতুৰ বেৰি পিন্ধিবলৈ ল'লে। ধাতুৰ বেৰি সতকাই ওলাই নপৰে বাবে শলাৰ পৰিৱৰ্তে ইয়াৰ ব্যৱহাৰ হ'ল। খেতিয়কে দুৰ্দান্ত গৰু-ম'হক লোৰ বেৰিৰে নাকী লগোৱাৰ দৰে আফ্ৰিকাৰ ব ন ফৈদৰ জনজাতিৰ লোকে নাকত লোৰ বেৰি পিন্ধিবলৈ ল'লে।

পূৰ্বতে কিন্তু পুৰুষে চিকাৰ কৰি অনা চৰাইৰ পাখী এডালো তিৰোতাজনীক নাক বা কানত গুজি লোৱাটো পুৰুষে সহ্য কৰিব নোৱাৰিছিল। কাৰণ চিকাৰৰ লগত তিৰোতাৰ কোনো সম্পৰ্ক নাছিল। সেয়া আছিল পুৰুষৰ একচেতীয়া বীৰত্বৰ পৰিচয়। কিন্তু ধাতুৰ ব্যৱহাৰ আহি পৰিলত পুৰুষৰ সেই মনোভাৱ সলনি হ'ল। ধাতু চিকাৰৰ কৌশল বা বীৰত্বৰ প্ৰতীক নহয়। সেয়ে ধাতুৰ অলংকাৰ পুৰুষ স্ত্ৰী উভয়ে ধাৰণ কৰিবলৈ ল'লে। বুজন সা-সম্পত্তিৰ অধিকাৰী লোকৰ তেওঁলোকৰ তিৰোতাক ধাতু অলংকাৰ পাতিৰে ওপচাই পেলোৱাৰ মনোবৃত্তি জাগিল। তিৰোতাক পুৰুষে এক প্ৰকাৰ সম্পত্তি হিচাপে গণ্য কৰি তেওঁলোকৰ দেহত আ-অলংকাৰ জাপি দি অধিক মূল্যবান কৰি তালিলে। তিৰোতাৰ অলংকাৰ কেইবাটাও কাৰণত দিনে দিনে বাঢ়ি গ'ল। তাৰে দুটা প্ৰধান কাৰণ হ'ল -

১। পুৰুষে তিৰোতাক জন্তু জানোৱাৰৰ দৰে সম্পত্তি বুলি গন্য কৰা।

২। মানুহৰ আৰ্থিক সামৰ্থ প্ৰদৰ্শন কৰাৰ মনোবৃত্তি। ইয়াৰ উপৰিও অন্যান্য কাৰণ নথকা নহয়। প্ৰথমে মানুহে হাত আৰু ভৰিতহে বেৰি পিন্ধছিল। ধাতুনিৰ্মিত বেৰিবোৰ আছিল এক প্ৰকাৰৰ বৰ্ম। হাবি-বননিত কাঁইটৰ মাজেৰে অহা-যোৱা কৰোঁতে হাত-ভৰিৰ ধাতুৰ বেৰিবোৰে যৎ সামান্যকৈ হ'লেও বাট-পথ সুগম কৰি তুলিছিল। পিছলৈ এই ব্যৱহাৰিক নিৰাপত্তাৰ ভাব তল পৰি ঐশ্বৰ্য-গৌৰৱ প্ৰদৰ্শনৰ ভাৱ প্ৰকত হৈ উঠিল। লগে লগে আটাইকেইটা ভাব সমান্তৰালভাৱে গৈ ধাতুৰ অলংকাৰে মানুহৰ মনলৈ সৌন্দৰ্যৰ সোৱাদ আনি দিলে।

বৈদিক যুগত সমাজখন এক সুস্থিৰ অৱস্থাত উপনীত হৈছিল। সমাজৰ সুস্থিৰ অৱস্থাত সাহিত্য, দৰ্শন, কলা-সংস্কৃতিয়ে পৰিপুষ্টি লাভ কৰিব পাৰে। সাজৰ এনে সুস্থিৰ অৱস্থাত কৃষি বানিজ্যয়ো মনোযোগ আকৰ্ষণ কৰিব পাৰে। অন্ন চিন্তাই উদ্বেগ সৃষ্টি নকৰিলে মানুহৰ মন সুন্দৰৰ ফালে ঢাল খায়। স্বচ্ছল অৱস্থাত মানুহৰ দেহসজ্জাৰ আহিলা অলংকাৰেও মানুহৰ মনোযোগ আকৰ্ষণ কৰাটো অতি স্বাভাৱিক। বৈদিক যুগত অলংকাৰবোৰ বহুলভাৱে চাৰিটা ভাগত ভাগ কৰা হৈছিল।

১। অভেদ্য

২। বন্ধনীয়

৩। প্ৰক্ষেপ

৪। আৰোপ্য

প্ৰাচীন কালত পুৰুষ মহিলা উভয়ে মুৰৰ পৰা ভৰিলৈকে অলংকাৰ পিন্ধিছিল। মতা মানুহেও আনকি হাতত খাৰু আৰু কানৰ লতি বিন্ধা কৰি অলংকাৰ পিন্ধিছিল। কেৱল তিৰোতাই অলংকাৰৰ উপৰিও চুলিবোৰ আবুৰকৈ ৰাখিবলৈ ৰচি বা জাল পিন্ধিছিল। তিৰোতাই চুলি বন্ধা ৰচি (পাশ) আৰু জালৰ নাম একাধিক। যেনে- শিখাপাশ, শিখাজাল, পিণ্ডপত্ৰ বা খণ্ডপত্ৰ, চূড়ামণি, মকাৰিকা বা মকৰপত্ৰ, মুক্তাজাল, গবাক্ষ, শীৰ্ষজাল ইত্যাদি।

**প্ৰাচীন অলংকাৰৰ নাম এনে ধৰণৰ ঃ**

মূৰৰ বাবে ঃ চূড়ামণি, মুকুট ইত্যাদি

কানৰ বাবে ঃ কুণ্ডল, মচক, কীল, (কীল শব্দই গজাল বুজাই) শিখাপত্ৰ, খৰ্গপত্ৰ, কৰ্ণিকা, কৰ্ণ বলয়, পত্ৰ কৰ্ণিকা, কৰ্ণ মুদ্ৰা, দণ্ড পত্ৰ, কৰ্ণপুৰ ইত্যাদি।

ডিঙিৰ অলংকাৰ ঃ মুক্তাবলী, হৰ্ষক, মুক্তহাৰ, ব্যাল, পংক্তি, মঞ্জৰী, ৰত্নাৱলী, ৰত্ন-মালিকা আৰু স্বৰ্ণ-সূত্ৰ। স্বৰ্ণ-সূত্ৰ দ্বীশৰ, ত্ৰিশৰ, চতুশৰি অৰ্থাৎ দুডলীয়া, তিনিডলীয়া আৰু চাৰিডলীয়া হয়। সাতডলীয়া স্বৰ্ণসূত্ৰই অসমীয়া সাতসৰী অলংকাৰ। তিৰোতাৰ পিঠি শুৱনি কৰা কণ্ঠহাৰো ব্যৱহাৰ হৈছিল। সেইপদ অলংকাৰৰ নাম আছিল পৃষ্ঠ বিভূষণ।

হাতৰ অলংকাৰ ঃ হস্ববী, বলয়, কংকন, ৰুচীক বা ৰুচক, উচ্চিতিক ইত্যাদি।

বাহুৰ অলংকাৰ ঃ কেয়ূৰ, অঙ্গাদ, বাজুৰ, সোচ্চিতিক, অনন্ত ইত্যাদি।

হাতৰ আঙুলিৰ অলংকাৰ ঃ আঙঠি (আঙঠিক বুলিছিল কটক বা কটিকা) আঙ্গুলীয়া মুদ্ৰা (মোহৰৰ আঙুঠি), কলশাখ, হস্তপত্ৰ, হস্তসূত্ৰ ইত্যাদি।

কঁকালৰ অলংকাৰ ঃ তৰলক, কাঞ্চী, কলক, মেখেলা, প্ৰাচীন কালত কঁকালত কিবা এডাল নবন্ধা-নিপিন্ধা তিৰোতা কোনো নাছিল।

ভৰিৰ অলংকাৰ ঃ নূপুৰ, কিঙ্কিণী, ৰত্নজাল, পাদপত্ৰ, পাদপদ্ম আৰু ভৰিৰ বুঢ়া আঙুলিৰ বাবে অঙ্গুল্যক (আঙঠি)

অসমীয়া দুখীয়া মানুহৰ গহনা সাধাৰণতে ৰূপেৰে সজা, আনকি অনেক ক্ষেত্ৰত পিতলো ব্যৱহাৰ

হোৱা দেখা যায়। সৰ্বভাৰতীয় ক্ষেত্ৰত উচ্চ সমাজ আৰু নিম্ন সমাজৰ অলংকাৰ সদায় অৰ্থ নিৰ্ভৰ। কিন্তু জনজাতীয় আৰু অজনজাতীয় অলংকাৰবোৰত অৰ্থ সমস্যাতকৈ সংস্কাৰ অধিকভাৱে জড়িত। জনজাতীয় অলংকাৰবোৰক সেইবুলি কোনো কাৰণত উপলুঙা কৰিব নোৱাৰি। তেওঁলোকৰ অলংকাৰটো বৈশিষ্ট্য আৰু আকৰ্ষণ আছে। আজি দৰাচলতে জন-জাতীয় আৰু অজনজাতীয় অলংকাৰ একাকাৰ হৈ পৰিছে; দুয়োবিধ অলংকাৰৰ সু-সমন্বয় ঘটিছে। কোনটো অলংকাৰৰ চানেকি কোনটোৰ পৰা গ্ৰহণ কৰা হ'ল তাক থিতাতে থাৱৰ কৰা উজু নহয়। দৰাচলতে চানেকিৰ ক্ষেত্ৰত জনজাতীয় আৰু অজনজাতীয় অলংকাৰে পাৰস্পৰিক আদান-প্ৰদান কৰিছে। অৱশ্যে চতুৰ স্বৰ্ণকাৰে জনজাতীয় অনেক অলংকাৰৰ চানেকি ইফাল সিফাল আৰু পৰিমাৰ্জিত কৰি নতুন চানেকিৰ গহনা সাজি তাক অজনজাতীয় লোকৰ মাজত জনপ্ৰিয় কৰি তুলিছে। কোনো কোনো ক্ষেত্ৰত ৰূপৰ সলনি সোন ব্যৱহাৰ কৰি তাৰ মূল্য আৰু মৰ্যদা বঢ়াই দিছে। তাতো ক্ষান্ত নাথাকি তেনে অলংকাৰ বাখৰ বা ৰত্নখচিত কৰি তুলিছে। বিশেষজ্ঞ সকলৰ মতে উত্তৰ ভাৰতৰ কেইবাপদো লোক অলংকাৰ যেনে - কাণৰ অলংকাৰ, মূৰত পিন্ধা ব'ৰ বা বৰেলা, ডিঙিৰ কণ্ঠী, হাতৰ বালা, ডিঙিৰ হাৰ, হাথফুল আদিয়ে মাৰ্জিত ৰূপত নগৰৰ শিক্ষিত আৰু আভিজাত্য শ্ৰেণীৰ তিৰোতাৰ অংগ শোভা কৰিছেগৈ। মোগল দৰবাৰী 'কুন্দন' নামৰ অভিজাত অলংকাৰ এপদ আকৌ গজগজীয়া ধৰণৰ চানেকীৰে গ্ৰাম্য তিৰোতা সকলে পিন্ধিবলৈ লৈছে। দাক্ষিণাত্যৰ মহিলাসকলে পিন্ধিবলৈ এৰা কেইবাবিধো অলংকাৰ আকৌ উত্তৰ ভাৰতত অতি জনপ্ৰিয় হৈ পৰিছে।

পূৰ্বতে একেজন সোণাৰিয়ে সোণ-ৰূপ গলোৱাৰ পৰা আৰম্ভ কৰি গঢ়ি-পিতি, ঘঁহি-মাজি, প্ৰয়োজনত মিনা কৰা আৰু বাখৰ খটোৱালৈকে সকলো কামকে কৰিছিল। আজিকালি কামবোৰ ভাগে ভাগে কৰা বিভিন্ন খনিকৰ ওলাইছে। আজিকালি এজনে অলংকাৰ পদ গঢ় দিয়ে, এজনে কটাকটি কৰি নিমজ কৰে, এজনে বাখৰ খটুৱাই, এজনে মিনা খুৱাই শেষত এজনে ধুই মেলি চকচকিয়া কৰি সম্পূৰ্ণ কৰে। সেয়ে উন্নত দেশবোৰত স্বৰ্ণশিল্প সুসাংগঠনিক আৰু ব্যাপক হৈ পৰিছে। ইংলণ্ডত কুৰি হাজাৰতকৈও অধিক খনিকৰ স্বৰ্ণশিল্পত জড়িত। তাত প্ৰায় পাছ, ছয় নিযুত পাউণ্ড মূল্যৰ অলংকাৰ নিৰ্মিত হয়। মাৰ্কিন দেশত সাতচল্লিছ হেজাৰৰো অধিক খনিকৰ জড়িত আৰু তাত হাজাৰ নিযুত ডলাৰ মূল্যৰ গহনা গাঁঠৰি উৎপন্ন হয়।

অসমৰ প্ৰায়বোৰ অঞ্চলতে একোখন অন্ততঃ সোণাৰিগাওঁ আছিল। অসমৰ সোণাৰীবিলাক সাধাৰণতে বনিয়া সম্প্ৰদায়ৰ লোক। কিন্তু কৈৱৰ্ত আৰু কলিতা সম্প্ৰদায়ৰ সোণাৰিও নোহোৱা নহয়। আহোম ৰজা প্ৰতাপ সিংহৰ দিনত (১৬১১) চন চিলাৰায়ে কোচ বিহাৰলৈ ধৰি নিয়া মানুহ বিলাকক মহাৰাজ নৰনাৰায়নে পুণৰ মুকলি কৰি স্বদেশলৈ আহিবলৈ দিলে। সিবিলাকৰ লগতে সোণাৰি, কমাৰ প্ৰভৃতি অনেক বৃত্তিয়াল মানুহ আছিল। প্ৰতাপসিংহ স্বৰ্গদেৱৰ নাতি মহাৰাজ ৰুদ্ৰসিংহয়ো কমাৰ, কহাৰ, সোণাৰি, দৰ্জি আদি অনেক শিল্পকাৰ ভাটিৰ পৰা অনাই দেশত স্থাপিত কৰে। ভাটিৰ এই সোণাৰি সকল অসমত জাহ গ'ল। তেওঁলোক প্ৰত্যেকেই একোজন পাকৈত খনিকৰ আছিল, কিন্তু তেওঁলোকে বিদেশী চানেকিৰে অলংকাৰ গঢ়া নাছিল।

তেওঁলোকে অসমীয়া চানেকীৰ গহনাকে নিপুন হাতেৰে গঢ়ি তোলে। তেতিয়াৰে পৰা অসমীয়া গহনা-গাঁঠৰিবোৰ চকুত লগা হৈ পৰে। অসমৰ সোণাৰি সকলৰ ভিতৰত শিৱসাগৰ জিলাৰ সোণাৰিৰ খিয়াতি অধিক। এই জিলাৰ সোণাৰী সকল মিনা কৰা কামতো পাকৈত আছিল।

অসমীয়া আ-অলংকাৰৰ গঢ়-পিত সম্পূৰ্ণ সুকীয়া। অসমীয়া কেইবাবিধো অলংকাৰৰ চানেকিৰ মিল নাই। অসমৰ জনজাতীয় অজনজাতীয় কোনো অলংকাৰৰ বাহুল্য নাই। অলংকাৰবোৰৰ গঢ় সৱল আৰু স্পষ্ট। ইয়াৰ কাৰণো নথকা নহয়। পিন্ধা কানি-কাপোৰ, গহনা-গাঠৰি, প্ৰসাধন সামগ্ৰী আদি সকলোৰেই পোনপটীয়া;অসমীয়া অংগ সজ্জাই অতিকৈ উকা ধৰণৰ। অসমীয়া মানুহ বিলাসী হৈ অলংকৃত নহয়,

ৰুচিপূৰ্ণভাৱেহে হয়। তাৰ কাৰণ বোধহয় অসমৰ প্ৰাকৃতিক সুসমা বৰ্ণালী;সুবিস্তৃত সেউজীয়া পথাৰ, লানি নিছিগা নীলা পৰ্বত আৰু চিৰ প্ৰবাহমান নৈ-নিজৰাৰ মুহূৰ্তে মুহূৰ্তে বৰণ সলনি হোৱা পানী। অসমৰ প্ৰকৃতিক বৰ্ণালীয়ে চকুত আঘাট নকৰে। সাত বৰণীয়া ৰামধেনুৰ বৰণৰ দৰে ইটো ৰংৰ পিছত সিটো ৰং উমান নোপোৱাকৈ সলনি হয়। গুজৰাটৰ পৰা অসমলৈ আহি থাকিলে প্ৰকৃতিৰ প্ৰভাৱ স্পষ্টকৈ চকুত পৰে। মানুহৰ বাৰেবৰণীয়া সাজপাৰ আৰু নাকে কানে দশ লগাই পিন্ধা জাপ জাপ গহনা-গাঁঠৰি ক্ৰমান্বয়ে কমি আহে। অলশেষত অসমত সেইবোৰ সৰলীকৃত হৈ পৰে। অসমীয়া পুৰুষ তিৰোতাৰ আধুনিক সাজপাৰ আৰু আ-অলংকাৰে কিন্তু খিলঞ্জীয়া সাজ-পাৰ আৰু আ-অলংকাৰৰ প্ৰতিনিধিত্ব নকৰে। অসমীয়া সৌন্দৰ্যবোধ তথা সংস্কৃতি ক্ষেত্ৰত নানা কাৰণত এটা খেলি-মেলি আহি পৰিছে। আমি অসমীয়া খাচ চানেকিৰ অলংকাৰ-পাতিৰ পম খেদিবলৈ হ'লে অতীত বুৰঞ্জী অধ্যয়ন কৰিব লাগিব।

প্ৰাক ঐতিহাকিস যুগত খুব সম্ভৱ অসমীয়া অলংকাৰ পাতিৰ গঢ় সৰ্বভাৰতীয় পৰ্যায়ৰে আছিল। সপ্তম শতিকাত কামৰূপাধিপতি ভাস্কৰ বৰ্মাই ভাৰত সম্ৰাত হৰ্ষবৰ্দ্ধন শিলাদিত্যৰ অভিষেক উপলক্ষে পঠিউৱা উপহাৰৰ উল্লেখ এইদৰে পোৱা যায়। "তাৰ ভিতৰত আছিল ভগদত্ত আৰু অন্যান্য প্ৰখ্যাত ৰজাসকলৰ পৰা উত্তৰাধিকাৰি সুত্ৰে লাভ কৰা অলংকাৰ পাতি। এইবোৰ শ্ৰেষ্ঠ ৰত্নৰ জ্যোতিয়ে আকাশমাৰ্গ উদ্ভাসিত কৰি তুলিছিল। বিশিষ্ট প্ৰভাৱযুক্ত শিৰশোভাৰ যত্ন ক্ষীৰদধি যেন শুভ্ৰ মুক্তমালা হস্তীৰ দাঁতত বৰ বৰ গজমুক্তা খটোৱা বালা।"

সপ্তম শতিকাৰ প্ৰাচীন কামৰূপৰ এই অলংকাৰবোৰৰ সাধাৰণ বৰ্ণনাৰ বাহিৰে গাই-গুটীয়া নাম আৰু বৰ্ণনা পাবলৈ নাই। সেইবোৰ নিঃসন্দেহে সৰ্বভাৰতীয় চানেকিৰ অলংকাৰেই হ'ব লাগিব।

বৈষ্ণৱ যুগতো অসমীয়া অলংকাৰপাতিয়ে আঞ্চলিক গঢ় আৰু নাম গ্ৰহণ কৰিছিল বুলি কোনো তথ্যপাতি পোৱা নাযায়। বৈষ্ণৱ সাহিত্যত ইয়াৰ উপৰিও প্ৰাচীন ভাৰতীয় অলংকাৰ কেতবোৰৰ নাম পোৱা যায়। যেনে - মণি মঞ্জিৰ, ভৰিৰ গহনা, ৰত্নজাল বা পাজোপ, কেয়ূৰ, বাহুৰ বাজু, কিঙ্কিণী, ভৰিৰ নূপুৰ, ৰত্নৰ গুলিয়া, বাখৰ পতা লটকন, গঞ্জাৰ, কাণৰ কুণ্ডল; ঝুমকা কাটি কাঞ্চি, কঁকালৰ হাৰ বা মেখোলা ইত্যাদি। ইয়াৰ পৰা বুজা যায় যে অসমত বৈষ্ণৱ যুগৰ আগভাগলৈকে অসমীয়া অলংকাৰে আঞ্চলিক নাম গ্ৰহণ কৰা নাই, আৰু খুব সম্ভৱ আঞ্চলিক গঢ়ো ধাৰণা কৰা নাই। কেৰু বা কাণৰ কৰিয়া বোলা কাণৰ অলংকাৰ পদৰ নাম প্ৰাচীন অলংকাৰ কৰ্ণিকাৰ পৰা ওলোৱা। অসমীয়া বৈষ্ণৱ সাহিত্যত কৰ্ণিকাৰ উল্লেখ পোৱা নাযায়।

খুব সম্ভৱ আহোমসকল অসমত থিতাপি লোৱাৰ পিছত আৰু পশ্চিমীয়া মোগলাই সংস্কৃতিৰ ঢৌৱে অসমত ঠেকেচনি মৰাৰ পিছত অসমীয়া আ-অলংকাৰৰ গঢ়ৰ আমূল পৰিবৰ্তন ঘটিল আৰু পিছত ৰূপ আৰু নাম গ্ৰহণ কৰিলে। সাম্প্ৰতিক অসমীয়া সমাজ জীৱনত যিবোৰ অলংকাৰ পাতিক পৰম্পৰাগত অলংকাৰ হিচাপে পৰিধানকৰা দেখা যায় সেইসমূহ আহোম ৰাজত্বকালৰ ডা-ডাঙৰীয়া তথা ৰজা-ৰাণী আদিয়ে পৰিধান কৰা আ-অলংকাৰবোৰেই বুলি ক'ব পাৰি, কিন্তু অসমৰ মানুহৰ অলংকাৰ পিন্ধা ইতিহাস জানিবলৈ আমি অতীতৰ বুৰঞ্জী অৰ্থাৎ পুৰণি পুথি-পাজি, স্থাপত্য-ভাস্কৰ্যৰ গাত খোদিত অলংকাৰ অধ্যয়ন সম্পৰ্কে উপৰোক্ত অধ্যায়ত আলোচনা কৰি অহা হৈছে।

প্ৰাগ-ঐতিহাসিক যুগত খুব সম্ভৱ অসমীয়া অলংকাৰ পাতিৰ গঢ় সৰ্বভাৰতীয় পৰ্যায়ৰে আছিল। সপ্তম শতিকাত কামৰূপাধিপতি ভাস্কৰ বৰ্মাই ভাৰত সম্ৰাত হৰ্ষবৰ্দ্ধন শিলাদিত্যৰ অভিষেক উপলক্ষে পঠিওৱা উপহাৰৰ বিস্তৃত বিৱৰণ বাণভট্ট ৰচিত হৰ্ষচৰিত্ৰত উল্লেখ পোৱা যায়।

বৈষ্ণৱ যুগতো অসমীয়া অলংকাৰপাতিয়ে আঞ্চলিক গঢ় আৰু নাম গ্ৰহণ কৰিছিল বুলি কোনো তথ্যপাতি পোৱা নাযায়। আহোমসকলে অসমত থিতাপি লোৱাৰ পিছত আৰু পশ্চিমীয়া মোগলাই সংস্কৃতৰ প্ৰভাৱত

অসমীয়া আ-অলংকাৰ গঢ়ৰ আমোল পৰিৱৰ্তন ঘটিব বুলি ক'ব পাৰি। উল্লেখযোগ্য যে আহোম যুগৰ সাজ-সজ্জা আৰু অলংকাৰেই পৰবৰ্ত্তী সময়ত অসমৰ পৰম্পৰাগত সাজ-সজ্জা আৰু অলংকাৰ বুলি কোৱা হয়। আহোম যুগ সাজ-পাৰ আৰু আ-অলংকাৰৰ যুগ।

টাই আহোম সকলে ইউনান আৰু উত্তৰ ব্ৰহ্মত বাস কৰিবৰ সময়ৰে পৰা সোণেৰে চহকী আছিল আৰু বহুমূলীয়া বাখৰপতা বা বাখৰমজা অলংকাৰ ব্যৱহাৰ কৰিছিল। ৰজাই জোৰণ দিবলৈ আগবঢ়োৱা অলংকাৰৰ তালিকাত আহোম যুগত ব্যৱহাৰ হোৱা বিভিন্ন ধৰণৰ অলংকাৰৰ নাম পোৱা যায়। সোণ, ৰূপ, তাম তিনিওবিধ ধাতুৰে অলংকাৰৰ ব্যৱহাৰ আছিল। সাধাৰণ শ্ৰেণীৰ মানুহৰ মাজত পিতলৰ অলংকাৰো ব্যৱহৃত হৈছিল। ৰূপ আৰু তামৰ ওপৰত পতাসোণ লগাই আৰু সোণৰ পানী চৰাই অলংকাৰ তৈয়াৰ কৰিছিল। অলংকাৰৰ শ্ৰেণীবিভাগ কৰিলে পুৰুষতকৈ তিৰোতাৰ অলংকাৰৰ পৰিমান অধিক। পুৰুষে হাতত আঙঠি, ডিঙিত শিলিখা মনি, মতা মণি, কাণত কঁৰিয়া আৰু লোকাপাৰ, বাহুত বাজু পিন্ধিছিল। তিৰোতাই সকলো অংগতে অলংকাৰ পিন্ধিছিল। এনে লাগে আহোম যুগৰ সম্ভ্ৰান্ত তিৰোতাৰ গাত কুৰি ডেৰকুৰি তোলা সোণ ওলমি আছিল। অলংকাৰবোৰ উকা, বাখৰুৱা, বাখৰপতা, মিনাকৰা, হীৰাপতোৱা আদি ভাগত ভাগ কৰিব পাৰি। উদাহৰণস্বৰূপে জাংফাই, কেৰু এযোৰ উকা, বাখৰুৱা, নেজপতা, বুলি ক'ব পাৰোঁ। সেইদৰে থুৰীয়া, বিৰি আৰু মণিকা উকা বাখৰুৱা বুলি দুভাগত ভগাব পাৰি। তিৰোতাই মুৰৰ সেওঁতাৰে পৰা আৰম্ভ কৰি, ডিঙি, হাতৰ ঠাৰি, আঙুলি, বাহু, কঁকাল, ভৰি আদিত এপদ দুপদ বা কেতিয়াবা কেইবাপদো অলংকাৰ পিন্ধিছিল। শিৰত শিৰপতা, কপালত কপালী, খোপাত সোণ-ৰূপৰ ফুল, ডিঙিত জোনবিৰি, ঢোলবিৰি, ঢৰিয়াবিৰি, শিলিখাবিৰি, সাতসৰী, ধোপামনি, চিপাত, গলপতা, শিলিখামণি, ফুটিমণি, চন্দ্ৰহাৰ, সোণে পোৱালে বনকিয়াই কৰা মণি, পুৰুষে ডিঙিত লতামণি, কাণত লোকাপাৰ, কঁৰিয়া, তিৰুতাই কেৰু, থুৰীয়া, নেজেপতা বাখৰুৱা, বৰৈলগা, উকা, জাংফাই, নেজেপতা জাংফাই আৰু বাখৰুৱা জাংফাই, লংকেৰু, কাণফুল, কৰ্ণবালা, নাকত নাকফুলি, নাকফুটি, হাতৰ বাহুত বাজু, হাতৰ ঠাৰিত মুঠিখাৰু, গামখাৰু, সঁচৰুৱা খাৰু, পটীয়া খাৰু, মগৰমুৰী খাৰু, গোটা খাৰু, কংকন, ডলিয়া খাৰু, উকা, বাখৰুৱা মিনাকৰা, আঙঠি-চিৰপতা, শেনপতা, জেঠীনেজীয়া, পাৰচকুৰা, ম'ৰানেজীয়া, পদুমকলি, বাবৰিবছা, মাছ-বাকলীয়া, হীৰাপতা, বাখৰুৱা, উকা, ৰজাঘৰীয়া মোহৰ লগাই কৰা আঙঠিক মোহৰী আঙঠি বোলে। তদুপৰি কঁকালত চন্দ্ৰহাৰ, কৰধনি, কঁকালি, যাগৰ আদি অলংকাৰো প্ৰচলন আছিল। বুৰঞ্জীবোৰত ৰজাঘৰীয়া বিয়াৰ জোৰোণ আৰু পত্ৰসন্দেহৰ লগতে দিয়া অলংকাৰৰ তালিকাত আৰু কিছুমান অলংকাৰৰ নাম পোৱা যায়। পেচন্দাৰ, কলক, কন্ধা, ঝুনৰ, নখচন্দ্ৰিকা, উৰ্ঝন্টি, কেয়ুৰ, মুকুট, কিৰিটি আদি অন্যান্য অলংকাৰৰ ব্যৱহাৰ সেৰেঙা হ'লেও পুৰণি সাহিত্যত উল্লেখ পোৱা যায়। এইবোৰ ধাতুৰ অলংকাৰৰ বাহিৰেও একালত জীৱ জন্তুৰ দাঁত, নখ আদিৰে অলংকাৰ তৈয়াৰ কৰা হৈছিল। হাতী দাঁতৰ খাৰু, আঙঠি, কেৰু, মণি আদি বিশেষ জনপ্ৰিয় আছিল। গাহৰিৰ দাঁত, বাঘৰ নখ, হাতীৰ হাড় আদিৰেও কোনো কোনোৱে অলংকাৰ তৈয়াৰ কৰি পিন্ধিছিল। কাউৰী মণি, ৰুদ্ৰাক্ষ-গুটি, সাপৰ ৰাজহাড় আদিৰেও কোনো কোনোৱে অলংকাৰ তৈয়াৰ কৰি পিন্ধিছিল।

সাধাৰণ অৰ্থত অলংকাৰ হৈছে মানৱ দেহৰ ভূষণ। অলংকাৰে দেহৰ সৌন্দৰ্য বৃদ্ধি কৰে। বিচিত্ৰ কাৰুকাৰ্যখচিত পৰিমাৰ্জিত অলংকাৰে নাৰী দেহৰ সৌন্দৰ্য-সুসমাক মনোৰমা মনোহৰা কৰি তোলে। কিন্তু অপৰিমিত অলংকাৰে শোভা বৰ্দ্ধন কৰাতকৈ সৌন্দৰ্যক ম্লানহে কৰে। সাহিত্যৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। সাহিত্যক লালিত্যপূৰ্ণ তথা ব্যঞ্জণময় কৰি তুলিবৰ বাবে অলংকাৰৰ বিশেষ প্ৰয়োজন আছে। উদাহৰণস্বৰূপে - এগৰাকী উকা ডিঙিৰ নাৰীৰ দেহ-কান্তি যিমানেই লাৱন্যময়ী নহওক কিয়, তথাপি ভাৱ হয় যেন কিবা শূণ্যতা আছে। ইয়াৰ মূলতে হ'ল সাহিত্যকো সজাই পৰাই তুলিব নোৱাৰিলে, তাৰ সৌষ্ঠৱ বৃদ্ধি নহয়। গতিকে

সাহিত্যত যিদৰে অলংকাৰ, সাজ-সজ্জাৰ গুৰুত্ব অপৰিসীম, ঠিক সেইদৰে মানৱ জীৱনত অতিজৰে পৰা আ-অলংকাৰৰ প্ৰাধান্য অপৰিসীম।

সৌন্দৰ্যবোধৰ পৰিণতিয়েই হ'ল সভ্যতা। সভ্যতা অৱশ্যে নানা উপকৰণৰ যৌগিক সংমিশ্ৰণ। সভ্যতাৰ মাপকাঠি যিয়েই নহওক, দেহ সজ্জাৰ সামগ্ৰী স্বৰূপে আ-অলংকাৰবোৰ কোনো কাহানিবাই সভ্যতাৰ প্ৰতীকযেন হৈ পৰিল। কামশাস্ত্ৰ প্ৰণেতা বাৎসায়ণৰ মতে সুশ্ৰী দেহ, সজ আচৰণ, যৌৱন আৰু লয়লাসেই হ'ল আনৰ দৃষ্টি আকৰ্ষণ কৰাৰ প্ৰধান আৰু স্বাভাৱিক উপায়। কিন্তু এইবোৰৰ অভাৱ হ'লে স্ত্ৰী-পুৰুষ উভয়ে কৃত্ৰিম উপায় অৱলম্বন কৰা উচিত। গহনা-গাঁঠৰি পৰিধান এনে এটা কৃত্ৰিম উপায়। মানুহে আজিকালি গহনা-গাঁঠৰিৰ ইতিবৃত্ত লৈ বৰ চিন্তিত হোৱা দেখা নাযায়। ইয়াৰ ৰূপ, প্ৰাচুৰ্য আৰু তাৰ মূল্যবোধতহে অধিক গুৰুত্ব দিয়া দেখা যায়।

সুন্দৰ গহনা নিৰ্মাণ আৰু পৰিধান সুৰুচিৰ পৰিচায়ক। গহনা-গাঁঠৰিৰ নিৰ্মাণৰ পৰিকল্পনা, তাৰ নিৰ্মাণৰ শ্ৰেষ্ঠতা আৰু বাছনি মানুহৰ নান্দনিক অনুভূতিৰে ওতঃপ্ৰোতঃভাৱে জড়িত। গহনা-গাঁঠৰি নিৰ্মাণ কাৰুকলাৰ অন্তৰ্গত হ'লেও চাৰুকলাৰ সমপৰ্যায়ৰ। দৰাচলতে গহনা-গাঁঠৰি নিৰ্মাণৰ ক্ষেত্ৰত চাৰুকলা আৰু কাৰুকলাৰ সুক্ষ্ম ৰেখাডাল টানিবলৈ সহজ নহয়।

অলংকাৰে ৰূপসজ্জাৰ প্ৰেৰণা অৱশ্যে প্ৰকৃতিয়েই মানুহৰ অন্তৰত জগাই তোলে। আজিও সমাজৰ পিছপৰি থকা অনেক লোক অকৃত্ৰিম ভাৱে প্ৰকৃতিৰ সম্ভাৰবোৰদেহসজ্জাৰ আহিলা স্বৰূপে ব্যৱহাৰ কৰিবলৈ এৰা নাই। অনেকে মূৰত কহুৱা ফুল, চৰাইৰ পাখি, ডিঙিত জন্তুৰ দাঁত আদি আৰি লয়। উন্নতিশীল সমাজৰ অলংকাৰ নিৰ্মানৰ যি পৰিকল্পনা, তাৰো চানেকি লোৱা হয় প্ৰকৃতিৰ গছ-লতা, ফুল-পাত আৰু নানা জীৱ জন্তুৰ গঢ়ৰ পৰা।

অসমীয়া পুৰুষ মহিলা উভয়ে ভলেসংখ্যক আ-অলংকাৰ পৰিধান কৰিছিল।

## অধ্যায় - ২

### ২.০ - অসমীয়া পুৰুষ সকলৰ আ-অলংকাৰ

অসমীয়া পুৰুষ সকলে মহিলাৰ দৰে কানত, ডিঙিত, হাতত, ভৰিত অলংকাৰ পৰিধান কৰিছিল। অসমীয়া পুৰুষসকলে পৰিধান কৰা অলংকাৰ সমূহ তলত আলোচনা কৰা হ'ল -


**কাণৰ অলংকাৰ ঃ** পুৰুষ সকলে সাধাৰণতে কাণত কেৰু, লোকাপাৰ ইত্যাদি পৰিধান কৰিছিল।

**ক) কেৰু ঃ** পুৰুষে পিন্ধা কেৰুযোৰক লংকেৰু বা অন্তী বোলা হৈছিল। আহোম ৰজা ডা-ডাঙৰীয়া সকলে বিশেষকৈ কেৰু পৰিধান কৰিছিল। অৱশ্যে স্বৰ্গদেউ সকলৰ দিনত কেৰু ৰজা আৰু ডা-ডাঙৰীয়া সকলৰ তলৰ সাধাৰণ পুৰুষেহে পিন্ধিছিল। গঠনৰ অনুপাতে কেৰু দুবিধ - ডাঙৰ আৰু সৰু। সৰুবোৰ দেখিবলৈ একে যদিও আকাৰত লং গুটিটোতকৈ অলপহে ডাঙৰ।




**খ) লোকাপাৰ ঃ** চাবিমূখীয়া পাৰ চৰাইৰ আৰ্হিত এইবিধ অলংকাৰ গঢ়া হয়। লোকাপাৰ মূলতে কাণৰ অলংকাৰ। লোকাপাৰ সোণৰ আৰু বাখৰ খটোৱা। উল্লেখযোগ্য যে আহোম স্বৰ্গদেউ সকলৰ দিনত ৰজা আৰু ডা-ডাঙৰীয়া সকলে লোকাপাৰ পিন্ধিছিল। বিশেষকৈ উৎসৱ-পাৰ্বনত লোকাপাৰ নামৰ উৎকৃষ্ট অলংকাৰ বিধ পৰিধান কৰিছিল। অলংকাৰবিধ ঝুমকাৰ দৰে দুয়োখন কাণৰ পৰা ওলমি থাকে। ইয়াত বাখ্ৰাম আৰু মিনাকৰাও হয়। ইয়াত চাৰিটাকৈ ক্ষুদ্ৰ পাৰ চৰাই অশোক স্তম্ভৰ সিংহ কেইটাৰ দৰে পিঠিয়া-পিঠিকৈ থাকে। চাৰিওতা মূৰ পাছফালৰ পৰা সৰু সোণৰ চাৰিডাল শিকলি গৈ অলপ ওপৰত লগ লাগে এটা সোণৰ বেৰিত। বেৰিটোত এডাল সোণৰ হাকোটা থাকে। হাঁকোটাডাল কাণৰ লতিৰ ফুটাত সুমুৱাই দিয়া হয়। পাৰ চৰাইৰ চাৰিওটা ঠেংৰ ওচৰৰ পৰা মণি গাঁঠা লটকণ ওলমে। ই এবিধ সুচাৰুৰূপে আৰু মৰ্যদা সম্পন্ন অলংকাৰ।

**ডিঙিৰ অলংকাৰ ঃ** পুৰুষসকলে ডিঙিত বিভিন্ন ধৰণৰ অলংকাৰ পৰিধান কৰে। মগৰদানা, মতামণি ইত্যাদি পুৰুষ সকলে পৰিধান কৰে।




**ক) মগৰদানা ঃ** পুৰুষে পৰিধান কৰা বিশেষকৈ সম্ভ্ৰান্ত আৰু অভিজাত শ্ৰেণীৰ এপদ আপুৰুগীয়া অসমীয়া কণ্ঠহাৰ হ'ল মগৰদানা। মগৰদানা ধাৰ অৰ্ধগোলাকাৰ কিছুমান টুকুৰাৰে সজা, টুকুৰাবোৰ ডেৰ ইঞ্চিমান দীঘ আৰু পাত সোণেৰে নিৰ্মিত আৰু বাখৰ পতা। সোঁমাজৰ টুকুৰাকেইটা ডাঙৰ। তাৰপৰা টুকুৰাবোৰ ক্ৰমাত চিয়া হৈ যায়। টুকুৰাবোৰত দুয়োকাষে দুডাল শকত সূতাই মালাধাৰ গাঁঠি পেলায়। মালাৰ মূৰ দুটা মগৰ চানেকীৰ টুকুৰা থাকে। ডিঙিৰ পাছফালে মূৰৰ সূতা দুযোৰ বান্ধি ইয়াক ধাৰণ কৰা হয়।

**(খ) মতামনি ঃ** মতামণি পুৰুষৰ অলংকাৰ। মতামণি সাধাৰণতে সোণৰ আৰু বাখৰেৰে গঢ়া হয়। মণিটোৰ ভিতৰখন ফোপোলা হয়। মতামণিৰ মাজে মাজে ৰঙা পোৱালমণিও গঠা থাকে।

হাতৰ অলংকাৰঃ পুৰুষসকলে হাতত খাৰু পৰিধান কৰিছিল।

**(ক) গামখাৰু ঃ** পুৰুষসকলে হাতত খাৰু পিন্ধিছিল। সম্ভ্ৰান্ত পুৰুষসকলে হাতত গামখাৰু পিন্ধিছিল। গামখাৰু তিনিপ্ৰকাৰৰ আছিলঃ তিনিশিৰীয়া, কাম কৰা আৰু ব্ৰাগ্ৰাম কৰা গদগদীয়া। গামখাৰুত লতা, ফুল আদি খোদিত থাকে। সোণৰ গামখাৰুত বাখৰ পটোৱাও আছিল। গামখাৰু অসমীয়া গহণাৰ এবিধ পুৰণা অলংকাৰ। পূৰ্বতে মিচিংসকলৰ গাওঁ বুঢ়াজনে এইপদ অলংকাৰ পিন্ধিছিল। সেয়েহে ইয়াক গামৰ খাৰু বা গামখাৰু বুলি নামাকৰণ কৰা হৈছিল।



গামখাৰু

**হাতৰ আঙু লিৰ অলংকাৰ ঃ** দহো আঙুলিত বিচিত্ৰ ধৰণৰ আঙঠি পুৰুষে পৰিধান কৰাৰ কথা পোৱা যায়। বাখৰপতা, মোহৰ আঙঠি, শেনপতা, হৰিণ চকুৱা, জেঠি নেজীয়া, উকা আদি আঙঠিৰ নাম পোৱা যায়। সোণ, ৰূপ, তাম, পিতল, হাতীদাঁত আদি বিভিন্ন ধাতু আৰু পদাৰ্থৰে আঙঠি নিৰ্মাণ কৰা হয়। আঙঠিৰ আৰ্হিবোৰ জীৱ- জন্তু,গছ-লতা, তৰু-তৃণ, ফুল-ফল আদিৰ আৰ্হিত গঢ়োৱা হয়।

অসমীয়া পুৰুষসকলে পিন্ধা উপৰোক্ত অলংকাৰ বোৰৰ উপৰিও হাতীদাঁতৰ খাৰু, আঙঠি, কেৰু, মণি আদি বিশেষ জনপ্ৰিয় আছিল। গাঁহৰিৰ দাঁত, বাঘৰ নখ, হাতীৰ হাড়, আদিৰেও কোনোৱে অলংকাৰ তৈয়াৰ কৰি পিন্ধিছিল। কাউৰী- মণি ৰুদ্ৰাক্ষ গুটি, সাপৰ ৰাজহাড় আদিৰেও কোনোৱে অলংকাৰ তৈয়াৰ কৰি পিন্ধিছিল।

## অধ্যায় - ৩

### ৩.০ অসমীয়া মহিলাসকলৰ আ-অলংকাৰ ঃ

অলংকাৰৰ প্ৰতি নাৰীৰ স্বাভাৱিক দুৰ্বলতাৰ কথা সকলোৰে জ্ঞাত। সৌন্দৰ্যপিয়াসী নাৰীমনে নিজকে বিভিন্ন অলংকাৰে সজাই তুলি ধৰি ভাল পায়। সেয়ে দেহৰ বিভিন্ন অংগত সোণ, ৰূপ,হীৰা আদিৰ বিভিন্ন অলংকাৰে সুশোভিত কৰি নিজৰ সৌন্দৰ্যানুভূতি প্ৰকাশ কৰি আহিছে।

মহিলাসকলে মূৰৰ পৰা ভৰিলৈকে নানা ধৰণৰ অলংকাৰ পৰিধান কৰিছিল। মূৰৰ খোপাত অসমীয়া মহিলাসকলে ৰূপৰ ফুল আৰু কাকৈ ( ফণি ) পিন্ধিছিল। ৰূপৰ ফুলবোৰ মুকলি ফুলৰ ফটিকেৰে সজা আছিল। মহিলাসকলৰ কেতবোৰ অলংকাৰ এনেধৰনৰ -

**শিৰত পৰিধান কৰা অলংকাৰ ঃ**

**চিতিপতি ঃ** চিতিপতি মহিলাসকলে শিৰত পৰিধান কৰা এবিধ বিশেষ অলংকাৰ। চিতিপতিডাল তিনিডলীয়া হাৰ, তাৰে এডাল হাৰ যায় শিৰৰ মাজ সেওঁতাৰে আৰু দুধাৰ যায় দুয়োফালে চুলিৰ কাষেৰে। তিনিওডাল খোপাত শলা এডালেৰে খুচি থোৱা হয়। শিৰৰ তলতে কঁপালত ওলমি থাকে লটকণ এটা। লটকণটোৰ গঢ় পূৰ্ণচন্দ্ৰাকৃতিৰ, অৰ্ধচন্দ্ৰাকৃতিৰ,তৰা সদৃশ বা পাণপতীয়া হয়। কেতিয়াবা জেঠি নেজীয়াও হয়। লটকণটো বাখৰ পতাও হ'ব পাৰে। বাখৰ পতা লটকণক বাখ্ৰাম চিতফুল বোলে। শিৰ শোভা কৰে কাৰণে চিতিপতিক শিৰশোভাও বোলে। বৰ্তমানো অসমীয়া বিয়াৰ কইনাই চিতিপতি পৰিধান কৰা দেখা যায়।

**কাণৰ অলংকাৰ ঃ** অসমীয়া নাৰীয়ে কাণত পৰিধান কৰা কেইবিধমান অলংকাৰ হ'ল থুৰীয়া,কেৰু বা কৰিয়া।

**থুৰীয়া ঃ** এইপদ অলংকাৰ কাণত পিন্ধা হয়। আদিতে বয়সীয়াল মহিলাসকলে এইপদ অলংকাৰ পৰিধান কৰিছিল। এবিধ বিশেষ বাখৰেৰে এইপদ অলংকাৰ গঢ়োৱা হয়। থুৰীয়া পিন্ধিবলৈ কাণৰ লতিৰ ফুটাটো যথেষ্ট ডাঙৰ হব লাগিব। ফলত সকলোৱে পৰিধান কৰিব নোৱাৰিছিল। আজিকালি অৱশ্যে ইয়াক বিশেষ কৌশলেৰে গঢ়োৱা হয়। যাতে সকলোৱে পিন্ধিব পাৰে। ইয়াৰ চানেকী এটা ফুলৰ দৰে। সন্মুখৰ ফুলটোৰ পিছফালে এডাল শলা থাকে, সেই শলাডাল কাণৰ লতিৰে সুমুৱাই দি পিছপিনৰ অংশটো পেঁচ গজালৰ দৰে পকাই পৰিধান কৰা হয়।



থুৰীয়া

**কেৰু ঃ** পূৰ্বতে বৰপেটা অঞ্চলৰ বয়সীয়াল মহিলাসকলে কেৰু পৰিধান কৰিছিল। এই অলংকাৰপদ বৰপেটা অঞ্চলৰ সৰ্বসাধাৰণ অলংকাৰ। কেৰু কাণত পিন্ধা অলংকাৰ। আনহাতে ইয়াক কেৱল সোণেৰে গঢ়া হয়। ইয়াত বাখৰ খটোৱা নহয়। কিন্তু অতি দুখীয়া সম্প্ৰদায়ৰ মহিলাসকলে সোণৰ পৰিৱৰ্তে ৰূপৰ কেৰু গঢ়াই পৰিধান কৰে। চানেকী অনুযায়ী কেৰুৰ নাম ভিন ভিন- সোণৰ কেৰু, ৰূপৰ কেৰু, বাখ্ৰাম কেৰু, বৰৈ দিয়া কেৰু, জাংফাই কেৰু, লং কেৰু আদি।



কেৰু

**জাংফাই কেৰু ঃ** লোকবিশ্বাস অনুসৰি জাংফাই পিন্ধিলে গাৰ বৰণ উজ্বল হয়। আদিতে কিন্তু এইবিধ অলংকাৰ জনজাতীয় সমাজত প্ৰচলিত অলংকাৰহে আছিল। বিশেষকৈ মিৰি,দেউৰী, আদি জনগোষ্ঠীৰ লোকসমাজত এই অলংকাৰ পদ অতি জনপ্ৰিয় আছিল। তেওঁলোকক দেখি ভৈয়ামৰ লোকসকলেও ইয়াক বাখ্ৰাম কৰি পিন্ধিবলৈ লয়। জাংফাই কেৰুযোৰ দেখাত শকত ঠাৰিবে এপাহ পূৰ্ণ প্ৰস্ফুটিত পদুমফুল যেন লাগে। পদুমৰ পাহে পাহে ডালিমগুটীয়া ৰঙা ৰঙৰ বাখৰ। ঠাৰিৰ তলভাগতো বাখ্ৰাম কৰা হয়। বৰৈ দিয়া কেৰুত আকৌ সৰু সৰু বাখৰ পতোৱা লটকণ মুখৰ চাৰিওকাষে ওলমি থাকি ইয়াক এক অপূৰ্ব সৌন্দৰ্য প্ৰদান কৰে।


জাংফাই কেৰু

**(ঘ) কাণফুল ঃ** কাণফুল সাধাৰণতে সৰু ছোৱালীৰ কাণৰ গহনা। কাণফুল দেখাত পদুমফুলৰ দৰে। কেতিয়াবা কেৰুৰ আৰ্হিতো গঢ়া হয়।

**ডিঙিৰ অলংকাৰ ঃ** অসমীয়া মহিলাসকলে ডিঙিত বিভিন্ন ধৰণৰ আ-অলংকাৰ পৰিধান কৰে। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল গলপতা, দুগদুগি, ঢোলবিৰি, জোনবিৰি ইত্যাদি।


**ক) গলপতা ঃ** নাৰীয়ে ডিঙিত পৰিধান কৰা এবিধ অলংকাৰ হ'ল গলপতা। গলপতাডাল ডিঙিত লিপিতখাই থকাকৈ পৰিধান কৰা হয়। গলপতাডালত ওপৰে তলে দুশাৰী বগা পোৱালমণি বা বগা মুকুতা মণি গঁঠা থাকে। তাৰ মাজে মাজে সোণৰ বাখৰ পতোৱা কেইটামান ফুল থাকে।


গলপতা

**খ) দুগদুগী ঃ** দুগদুগী দেখাত পাণখিলাৰ দৰে দুগদুগীৰ মাজত মিনা কৰা আৰু বাখৰ খটোৱা থাকে। এইবিধ নাৰীৰ অলংকাৰ। সাধাৰণতে কেঁচা সোণেৰে এই অলংকাৰবিধ অসমৰ থলুৱা সোণাৰিয়ে তৈয়াৰ কৰে। ডিঙিৰ পৰা বুকুলৈ ইয়াক ওলোমাই পিন্ধা হয়। উৎসৱ- পাৰ্বন, বিয়া-সবাহ আৰু বিভিন্ন মাংগলিক অনুষ্ঠানত অসমীয়া মহিলাই এই অলংকাৰ পৰিধান কৰে।


দুগদুগী

**গ) ঢোলবিৰি ঃ** ঢোলবিৰি আকৃতি ঢোলৰ আৰ্হিৰ। ঢোলবিৰিৰ অন্য এটা নাম হ'ল 'মতাবিৰি' আকৃতিত ডাঙৰ আৰু বাখৰ নোহোৱাকৈ গঢ়া ঢোলবিৰিটো আগতে কেৱল পুৰুষে পিন্ধিছিল বাবে ইয়াক মতাবিৰি বোলা হৈছিল। আজিকালি ঢোলবিৰি সমূহত বাখৰ খটোৱাৰ উপৰিও ক'লা, ৰঙা আৰু সেউজীয়া ৰংৰ মিনাও কৰা হয়। কালক্ৰমত ই মহিলা সকলৰো প্ৰিয় অলংকাৰ হৈ পৰিল। উৎসৱ-পাৰ্বন, বিয়া-সবাহত অসমীয়া মহিলাই এই অলংকাৰ পৰিধান কৰে। ৰঙালী বিহুত বিহু নাচোতে নাচনীয়ে আৰু বিয়াত কইনাই ডিঙিত এই ঢোলবিৰি পৰিধান কৰে।



**ঘ) জোনবিৰি ঃ** জোনবিৰি দেখিবলৈ কাঁচিজোনটোৰ দৰে। জোনবিৰিৰ মাজত মিনা কৰা বাখৰ পতোৱা থাকে। জোনবিৰি আৰু বেনা আকৃতিত ডাঙৰ হ'লে তাক গেজেৰা বোলে। এই অলংকাৰবিধ মহিলাই পৰিধান কৰা দেখা যায়।



**ঙ) মটৰমণি ঃ** মটৰমণি কেৱল সোণেৰে গঢ়া অলংকাৰ, দেখাত মণিবোৰ মটৰমাহৰ গুটিৰ দৰে বাবে ইয়াৰ নাম মটৰমণি। মাজত দুগদুগিৰ লটকণ গুলোমাই দি দুয়োফালে একে সমান পৰিমানৰ মণি সূতাৰে গাঁঠি দিয়া হয়। ইয়াক সাধাৰণতে ঘৰুৱা পৰিৱেশত ঘৰৰ বোৱাৰীয়েহে পৰিধান কৰিছিল। কিন্তু আজিকালি জীয়াৰী-বোৱাৰী সকলোৱে প্ৰায়বোৰ উৎসৱ অনুষ্ঠানতে পৰিধান কৰে। ইয়াৰোপৰি বিহুনাচৰ নাচনীয়েও মটৰমালা পৰিধান কৰা দেখা যায়।

হাতৰ অলংকাৰ ঃ নাৰীয়ে হাতৰ সৰু গাঁঠিত অলংকাৰ পৰিধান কৰি নিজকে মোহনীয় ৰূপত প্ৰকাশমান কৰে। সোণ-ৰূপ বা পিতলৰ সাধাৰণ কাৰু বা বালা পটীয়া খাৰু, সোণ ৰূপৰ মুঠিখাৰু বা খুচৰীয়া খাৰু, গামখাৰু আদিয়েই নাৰীয়ে পৰিধান কৰা হাতৰ অলংকাৰ। অসমীয়া নাৰীয়ে পৰিধান কৰা খাৰুবোৰৰ দুয়োমুৰ ফুলকলি, সিংহ, হাতী, আৰু মগৰ আদিৰ মুৰৰ গঢ়েৰেই সাজে। মুঠিখাৰু বা খুচুৰীয়া খাৰু কেইবাপদ খাৰুৰ সংযোগ বুলিব পাৰি। গামখাৰু প্ৰথমতে পুৰুষেহে পৰিধান কৰিছিল, কিন্তু পিছলৈ নাৰীয়েও গামখাৰু পৰিধান কৰিবলৈ ল'লে।

ক) গামখাৰু ঃ গামখাৰু হৈছে অসমীয়া পুৰুষ মহিলা উভয়ে সৌন্দৰ্য বৰ্ধনৰ বাবে হাতত পিন্ধা খাৰু। গামখাৰু অসমীয়া গহনা এবিধ পুৰণি অলংকাৰ। পুৰণি দিনত ইয়াৰ ব্যৱহাৰ সাধাৰণ আছিল যদিও বৰ্তমান বিহুৰ সময়ত নাচনীৰ হাতত গামখাৰু দেখা যায়। পূৰ্বতে মিচিং সকল গামে (গাওঁবুঢ়া) এইপদ অলংকাৰ পিন্ধিছিল। এই খাৰু সাধাৰণতে তিনিশিৰীয়া আৰু ৰূপৰ হয়।

খ) মুঠিখাৰু ঃ মুঠিখাৰু হৈছে মুঠি মাৰি সুমুৱা খাৰু। কেইবাদালো চেপেটা বালা লগাই মৰা এবিধ খাৰু। অসমীয়া জীয়াৰী-বোৱাৰীয়ে দুহাতত মুঠি খাৰু বা খুচৰীয়া খাৰু পিন্ধিছিল। আহোম ৰজাৰ কুঁৱৰীসকলৰ মুঠি খাৰুবোৰত হীৰা পতোৱা আছিল। সোণেৰে গঢ়া গামখাৰুৰ দৰে সোণৰ মুঠিখাৰু সমূহৰো বাখৰ পতাই অতি আকৰ্ষণীয় কৰি তোলা হৈছিল।

গ) বাউটি ঃ মহিলাসকলে হাতত পিন্ধা এইবিধ অলংকাৰ হৈছে বাউটি। এই অলংকাৰপদ সোণ,ৰূপ আদিৰে গঢ়োৱা হয়। পোন আৰু ঘেৰ খুউৱা এই দুই ধৰণৰ গঢ়ৰ বাউটিযোৰৰ ওপৰফালে চকুৰে দেখা অংশত বিভিন্ন চানেকিৰে ফুলকটা থাকে। কোনো কোনোৱে মিনা কৰাই লয় যদিও বাউটিত সাধাৰণতে বাখৰ খটোৱা নহয়।

হাতৰ আঙুলিৰ অলংকাৰ ঃ হাতৰ আঙুলিৰ অলংকাৰ বিধৰ নাম হৈছে আঙুঠি। আঙুঠি এবিধ ঘুৰণীয়া গঢ়ৰ অলংকাৰ। সোণ, ৰূপ, তাম, পিতল, হাতীৰ দাত আদি বিভিন্ন ধাতুৰ আৰু পদাৰ্থৰে আঙুঠি গঢ়োৱা হয়। আঙুঠিৰ আৰ্হিবোৰ জীৱ-জন্তু, গছ-লতা, তৰু-তৃণ, ফুল-ফল আদি আৰ্হিত গঢ়োৱা হয়। আৰ্হি অনুযায়ী আঙঠিবোৰৰ নাম ভিন ভিন হয়। কেৱল সোণেৰে গঢ়া উকা আঙুঠি, বাখৰ পৰা আঙুঠি, জেঠিনেজীয়া আঙুঠি, সৰুদৈয়া জাপি আকৃতিৰ আঙুঠি, ম'ৰাপখীয়া, পদুমকলি, চিৰিপতা, হীৰাপটোৱা, বাবৰীফুলিয়া, মাহআঙুঠি, সাপ আঙুঠি, পোহাৰী আঙুঠি ইত্যাদি। বিভিন্ন ৰোগৰ নিদান হিচাপেও আঙুঠি পৰিধান কৰা এক উল্লেখযোগ্য দিশ। বিশ্বাস কৰা হয় যে আঙুঠিয়ে হতাশা, হৃদয়ৰোগ, মুৰৰ বিষ, জ্বৰ আদি ৰোগৰ পৰা উপশম ঘটাব পাৰে। সোণ, ৰূপ পৰশে চৰ্ম ৰোগ নিৰাময় কৰে। আনহাতে খাদ্যবস্তুত সোণ ৰূপৰ পৰশ পৰিলে ই বীজানু মুক্ত হয় বুলিও বিশ্বাস কৰা হয়।

বাহুত পিন্ধা অলংকাৰ ঃ অসমীয়া তিৰোতাই বাহুত বাজু পিন্ধিছিল। বাজু এচটা চেপেটা সোণ বা ৰূপেৰে সজা হয়। কিছুমান বাজুৰ ভিতৰটো ফোপোলা আৰু তাৰ ভিতৰত লা মাটি ভৰোৱা থাকে। বাজুৰ দুয়োমুৰে সাধাৰণতে মগৰ মূখীয়া হয়। বাজুৰ ওপৰৰ ফালটো ফুল বা অন্য আৰ্হিৰ চানেকি আৰু দুই মুৰত মগৰ চানেকিও থাকে। এটা মুৰত এটা আঙুঠি আৰু আনটো মুৰত শিকলি হাকোটা লগোৱা থাকে। হকোটাদাল ইটো মুৰৰ বিংটোত সুমুৱাই দি পিন্ধা হয় নাইবা কেতিয়াবা দুয়োটা মুৰত সোণ ৰূপ সূতা লগাই গাঁঠি মাৰি পিন্ধা হয়। সোণৰ বাজুক সুবৰ্ণৰ তাঁৰ আৰু অঞ্চল বিশেষে 'কেয়ুৰ' বুলিও কোৱা হয়। বৰ্তমান এইপদ অলংকাৰৰ বিশেষ প্ৰচলন নাই যদিও কোনো কোনোৱে বিভিন্ন পাথৰ আদি খটুৱাই বাজু সদৃশ এবিধ অলংকাৰ পিন্ধিবলৈ লৈছে। সোণৰ বাজু পৰিধান কৰিলে ৰক্ত সঞ্চালন সুচাৰুৰূপে হয় আৰু মস্তিষ্কৰ উত্তেজনাৰ পৰা মুক্ত হ'ব পৰা যায় বুলিও কোৱা হয়। ই হৃদয়ৰ কাৰ্যদক্ষতাও বৃদ্ধি কৰে। লগতে কান্ধ আৰু হাতৰ বিষো ইয়াৰ পৰিধানৰ ফলত উপশম হয় বুলিও কোৱা হয়।

কঁকালৰ অলংকাৰ ঃ অসমীয়া মহিলা সকলে কঁকালত কৰধনি, কৰ্দনি বা চন্দ্ৰহাৰ পিন্ধিছিল। বৰ্তমান বিয়াত কইনাই কঁকালত চন্দ্ৰহাৰ বা কৰধনি পিন্ধা দেখা যায়। অৱশ্যে অসমীয়া চন্দ্ৰহাৰ সৰ্বভাৰতীয় পৰ্যায়ৰ। কৰধনি ৰূপৰ তিনিদাল বা চাৰিডাল হাৰেৰে গঁঠা থাকে।

ভৰিৰ অলংকাৰ ঃ অসমীয়া মহিলাই ভৰিত উজন্টি বাখৰু পিন্ধিছিল। আঢ্যৱন্ত ঘৰৰ মহিলাই পাজোপ পিন্ধিছিল। পাজোপ প্ৰাচীন অলংকাৰ ৰত্নজালৰ তাণ্ডৰণ। পাজোপৰ দৰে আন এপদ গহনা হ'ল পাওপদম। সাধাৰণ মানুহে শিকলি গঢ় কড়ি পিন্ধিছিল।

ক) পাজোপ ঃ পাজোপ হৈছে মহিলাসকলৰ ভৰিত পিন্ধা এবিধ অলংকাৰ। প্ৰাচীন ভাৰতত এইপদ ভৰিৰ অলংকাৰৰ প্ৰচলন আছিল।



খ)পাও পদ্ম ঃ মহিলাসকলৰ ভৰিত পিন্ধা এবিধ অলংকাৰ হৈছে পাও পদম। এইবিধ অলংকাৰ ৰূপেৰে নিৰ্মান কৰা হয়।



ভৰিৰ আঙুলিৰ অলংকাৰ ঃ সাধাৰণতে মহিলাসকলে ভৰিৰ আঙুলিত আঙুঠি পৰিধান কৰিছিল। আঙুঠিক অনোৱাট বোলে। অনোৱাটৰ অৰ্থ অনন্ত (সাপ) বুজায়। আঙঠিৰ গঢ় বৃষিকৰ দৰে হ'লে তাক বিছুৱা বোলে। অন্যহাতে ভৰিত পিন্ধা আঙুঠি উজান্তি বা উঝান্তি বোলে।

নাকৰ অলংকাৰ ঃ নাকফুলি, নাকফুটি নাকত পৰিধান কৰা অলংকাৰ। ধনি দুখীয়া প্ৰায় সকলোৱে শ্ৰেণীৰ মহিলাই নাকৰ অলংকাৰ ব্যৱহাৰ কৰিছিল। মহিলাই নাকত তিনি প্ৰকাৰৰ অলংকাৰে শোভা পালে। এই তিনিপদ অলংকাৰ হ'ল নাকফুল, নলক আৰু নথ। নাকফুল আৰু নথ নাকৰ লটি ফুটুৱাই পিন্ধে। নাকফুলটো নাকৰ সৈতে লিপিত খাই থাকে। নথ হ'ল এপাত বেৰি। ই লতিৰ বিন্ধাৰে সুমুৱাই নাকৰ ফুটাৰে ওলাই আহে, কেতিয়াবা নথ ইমান ডাঙৰ হয় যে তাক সৰু শিকলি বা সূতা এডালেৰে কাণত বান্ধি থ'ব লগীয়া হয়। নলক পিন্ধে নাকৰ দুয়ো ফুটাৰ মাজৰ বেৰখন ফুটাই। নলকটো ওপৰৰ ওঠৰ তললৈ সাধাৰণতে নাযায়। নাকৰ এই তিনিওপদ অলংকাৰ উকা সোণ বা ৰূপ নাইবা বাখৰ বা মুকুটা খটোৱা সোণৰ হ'ব পাৰে। অসমীয়া তিৰোতাই সাধাৰণতে নলক আৰু নাকফুলহে পিন্ধিছিল, নথ ব্যৱহাৰ কৰা নাছিল।

অসমীয়া মহিলা সকলে পিন্ধা উপৰোক্ত অলংকাৰবোৰৰ উপৰিও হাতীদাঁতৰ খাৰু, আঙুঠি, কেৰু, মণি আদি বিশেষ জনপ্ৰিয় আছিল। গাঁহৰিৰ দাত, বাঘৰ নখ, হাতীৰ হাড় আদিৰেও কোনোৱে অলংকাৰ তৈয়াৰ কৰি পিন্ধিছিল। কাউৰী মণি তৈয়াৰ কৰি পিন্ধিছিল।

এনে অনেক অনবদ্য অলংকাৰেৰে অসমীয়া মহিলাসকলে নিজকে সৌন্দৰ্যশালী কৰি তুলিছিল। অসমৰ বিগত কালৰ আ-অলংকাৰৰ বিষয়ে ভাস্কৰ্য, পুৰণি সাহিত্য আৰু লিপিসমূহৰ পৰা স্পষ্ট ধাৰণা পাব পাৰি।

## অধ্যায় - ৪

### ৪.০ অসমীয়া জনগোষ্ঠী সম্প্ৰদায়ৰ আ-অলংকাৰ ঃ

অসমৰ ভূমিপুত্ৰ জনজাতীয় পুৰুষ-নাৰীসকলেও অতীতৰেপৰা কিছুমান আ-অলংকাৰ পৰিধান কৰি নিজৰ সৌন্দৰ্যানুভূতি তথা পৰম্পৰাক ধৰি ৰাখিবলৈ সক্ষম হৈছে। বড়ো, মিছিং, ৰাভা, কছাৰী, তিৱা, কাৰ্বি আদি সকলোৱে সাংস্কৃতিক দিশত অতি চহকী আৰু নিজস্ব পৰিচয় বহনকাৰী সম্পদেৰে ঐশ্বৰ্য্যশালী। বয়নশিল্পত অতি চহকী জনগোষ্ঠীয় লোক সকলৰ আ-অলংকাৰ পৰিধানৰ দিশতো সচেতন।

### ৪.১ বড়ো জনগোষ্ঠীৰ আ-অলংকাৰ ঃ

অসমীয়া অলংকাৰক গহনা বোলা হয়। তেনেবোৰ অলংকাৰক উপলব্ধ কৰি এশাৰী আপ্ত বাক্য আজিও প্ৰচলন আছে। "সজালে পৰালে বান্দৰীও সুন্দৰী হয়।" আনহাতে সংস্কৃতত এটা শ্লোক পোৱা যায়, 'ন কান্তমপি নিৰ্ভূষং বিভাতিবনিতামুখম্' অৰ্থাৎ অলংকাৰেহে এগৰাকী নাৰীৰ প্ৰকৃত শোভা বৃদ্ধি কৰে। অলংকাৰ অতিতৰে পৰা মানৱ সভ্যতা বিকাশৰ লগে লগে প্ৰত্যেক জাতি-জনগোষ্ঠী নিৰ্বিশেষে নিজস্ব কলা শৈলিৰে নিৰ্মাণ কৰি লয়। সেইবাবে অসমত বসবাস কৰা খিলঞ্জীয়া ভূমিপুত্ৰ বড়ো সকলেও বিভিন্ন শৈলীৰে স্বকীয় প্ৰতিভাৰে অলংকাৰ তৈয়াৰ কৰি সৌন্দৰ্যবৰ্ধনৰ বাবে পৰিধান কৰে। সৰ্বপ্ৰথমে তেওঁলোকে সোণেৰে আ-অলংকাৰ নিৰ্মান কৰি ব্যৱহাৰ কৰিছিল। বড়ো নাৰীসকলে গহনা ব্যৱহাৰ বা পৰিধানৰ যোগেদি মহিলাগৰাকীৰ পৰিয়ালটো আৰ্থিকভাৱে টনকীয়ালনে দুৰ্বল সেইটো নিৰ্ণয় কৰিব পৰা গৈছিল। অন্যহাতে যিসকল মহিলায়ে কাম বনত মনোনিৱেশ নকৰি ধুনপেচ মাৰি ঘুৰি ফুৰে সেই মহিলাগৰাকীক 'ছালদাং' আখ্যা দিয়া হৈছিল। সাধাৰণতে বড়ো মহিলাসকলে কেইপদমানহে অলংকাৰ ব্যৱহাৰ তথা পৰিধান কৰে। সেইসমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

কাণত পিন্ধা অলংকাৰ ঃ (সোণা) ঃ ফুলখুৰি, ঝুমকা, খেৰু, তালিংনৰা (দুল) মহৰ, ফুটি ইত্যাদি।
নাকত পিন্ধা অলংকাৰ (গুনথং সোণা) ঃ
নাকফুল ঃ নাকৰ এটা পাহিৰ ওপৰৰ অংশত পিন্ধা ওলমি থকা গহনা।
নলৎ ঃ নাকৰ পাহি দুটা ভাগ কৰা মাজ অংশটোত ফুটাই ওলোমাই পিন্ধা অলংকাৰ।
ঝুলুকি ঃ নাকত পিন্ধা পেন্ডেন্ট আৰু গঠংনি বালি ইত্যাদি।

বড়ো মহিলা সকলে অতীততে নাকফুল পিন্ধিছিল। যদিও বৰ্তমান সেয়া প্ৰায় নোহোৱা হৈছে।

গল বা ডিঙিত পিন্ধা অলংকাৰ (ল') ঃ

বড়ো নাৰীয়ে ডিঙিত পিন্ধা গহনাসমূহ হ'ল -

ক) চন্দ্ৰহাৰ (এডাল গধুৰ কণ্ঠহাৰ)
খ) বিছাহাৰ (সাধাৰণ কণ্ঠহাৰ)
গ) ঠাংকাচিৰি (ডিঙিৰ চাৰিওফালে মেৰিয়াই লোৱা কণ্ঠহাৰ)
ঘ) জিবৌ জিঞ্জিৰি (সাপৰ দৰে চেইন বা কণ্ঠহাৰ)
ঙ) জিঞ্জিৰি (মালা)
চ) আৰৈ ল' (আইতাই পিন্ধা মালা) ইত্যাদি।

## হাতত পিন্ধা অলংকাৰ (আছান) ঃ

মহিলাসকলে হাতত খাৰু পৰিধান কৰে। এই খাৰু দুই প্ৰকাৰৰ- সৰু খাৰুক আছান আখ্যা দিয়া হয়। তেওঁলোকৰ কেইবিধমান খাৰুৰ ভিতৰত খুলিমুঠি (গামখাৰু সদৃশ খাৰু) মগৰ আছান, ফমফিলা আছান (ফোঁপোলা খাৰু), মুঠি আছান (মুঠি খাৰু), বালা আছান আৰু হাছিলি আদিয়েই অন্যতম।

উপৰোক্ত অলংকাৰ সমূহৰ লগতে বড়ো তিৰোতাই বিভিন্ন পৰিৱেশ, অনুষ্ঠানত হাতৰ আঙুলিত আঙঠি (আস্তাম) পৰিধান কৰা দেখা যায়। পুৰুষসকলে বিশেষভাৱে অলংকাৰ নিপিন্ধে যদিও বিভিন্ন অশুভ শক্তিৰ পৰা মুক্ত হ'বলৈ ডিঙিত ৰেশৌম (চিক্কণ সূতা) তাৱচি (তাবিজ বা মাডলি) আৰু কঁকালত জাঞ্জিগোছা (বিভিন্ন সূতাৰে প্ৰস্তুত কৰা ৰচী) পিন্ধে। অন্যান্য জাতি জনজাতিৰ দৰে বড়ো নাৰীয়ে স্বামীৰ মৃত্যুৰ পাছত সীমিত পৰিমানৰ অলংকাৰ পিন্ধে বা কোনোৱে একেবাৰে অলংকাৰ বৰ্জন কৰাও দেখা যায়।

প্ৰকৃতাৰ্থত অলংকাৰে বড়োসমাজত এখন বিশিষ্ট আসন দখল কৰিবলৈ সক্ষম হৈছে যদিও সাম্প্ৰতিক সময়ত আধুনিকতাৰ প্ৰভাৱত পৰি বহুবোৰ স্বকীয় বৈশিষ্ট হেৰাই যোৱাৰ উপক্ৰম হৈছে। বিশেষকৈ বঙালী গহণাৰ শৈলীৰে বড়োসকলৰ গহনাত প্ৰভাৱপুষ্ট। এই ক্ষেত্ৰত প্ৰতিজন ব্যক্তি সচেতন ন'হলে এই আপুৰোগীয়া জনগোষ্ঠীটোৰ আ-অলংকাৰ সমূহ চিৰদিনৰ বাবে হেৰাই যাব।

## ৪.২ মিচিং জনগোষ্ঠীৰ আ-অলংকাৰ ঃ

অসমৰ এটি অন্যতম বৃহৎ জনগোষ্ঠী হ'ল মিচিং। মিচিং সকলৰ বয়ন শিল্পই বৰ্তমান বিশ্ব দৰবাৰত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁলোকৰ পুৰুষ মহিলা উভয়ে অতীতত বিভিন্ন অলংকাৰ পৰিধান কৰা দেখা যায়। উল্লেখযোগ্য যে বৰ্তমান অসমীয়া সমাজত পৰম্পৰাগত হাতত পিন্ধা অলংকাৰ 'গামখাৰু' পোনতে মিচিং গাম অৰ্থাৎ গাৱৰ গাওঁবুঢ়াজনেহে পৰিধান কৰিছিল।

**পুৰুষৰ অলংকাৰ ঃ** অতীত কালত মিচিং সমাজত পুৰুষেও অলংকাৰ পৰিধান কৰিছিল। পুৰুষসকলে ডিঙিত, কাণত আৰু হাতত কিছুমান অলংকাৰ পিন্ধিছিল। সাধাৰণ দগনী (মণি), তাদগ (বৰমণি) সকলো বয়সৰ পুৰুষেই পৰিধান কৰিছিল। বয়সিয়াল সকলে কাণত তাকপৰ (কাঠৰ কেৰু) পৰিধান কৰিছিল। মিচিং মিবু (দেওধাই) সকলে দৈৱিক গুণসম্পন্ন জীয়া দগনী, তাদগ পৰিধান কৰাটো নিয়মত প্ৰচলিত আছিল। সম্প্ৰতি মিবুৰ সংখ্যাও প্ৰায় কমি অহাৰ লগে লগে জীয়া দগনী-তাদগ আগৰ দৰে সহজতে পাব নোৱাৰা হৈছেগৈ। মিচিং সমাজত গাম (গাওঁবুঢ়া) প্ৰথাৰ আৰম্ভণিৰে পৰা ব্ৰিটিছ সকলে উত্তৰ পূব ভাৰতত প্ৰশাসন কাৰ্য চলোৱাৰ সময়লৈকে গামসকল মূল্যৱান দগনী, তাদগৰ লগতে এবিধ বহল খাৰু হাতত পিন্ধাৰ নিয়ম প্ৰচলিত আছিল। বিশেষভাৱে গামসকলে পৰম্পৰাগত সাজ-পাৰৰ লগতে আকৰ্ষণীয় অলংকাৰ পৰিধান কৰি কৌবাং বিচাৰ, ৰাজহুৱা অনুষ্ঠান আদিত সভা শুৱনি কৰিছিল।

**মহিলাৰ অলংকাৰ ঃ**

মিচিং মহিলাসকলে বস্ত্ৰ পৰিধান কৰিবলৈ শিকাৰ পৰা অলংকাৰ পৰিধান কৰি আহিছে। আৰম্ভণিতে ধাতৱ জাতীয় অলংকাৰৰ পৰিৱৰ্তে গছ-লতা, তৃণ, মণি-মুকুতা, জীৱ-জন্তুৰ শিং আৰু দাঁতৰ পৰা আহৰণ কৰা বস্তুৰে তৈয়াৰী বিভিন্ন অলংকাৰহে পৰিধান কৰিছিল। এই অলংকাৰবোৰৰ ভিতৰত ঢেং, তাকপি, কেন্তু, তাকপৰ, বিৰবিৰ, ৰুংপুন, লাকপুন, দুম্পুন, তাল.দুম্ব, তাগুং, তৌৰৌং, ইংৰৌ বা চিৰৌং, এৱএৱয়ি বা চিময় এৱয়ি, তাদগ আদি উল্লেখযোগ্য। আকৌ পিছলৈ ধাতৱজাতীয় বস্তু ব্যৱহাৰ কৰিবলৈ শিকাৰ পৰা কংগে,

পিচিৰিং, লাকপ, কঃপুং, ৰুঃপুং আদি ব্যৱহাৰ কৰিবলৈ ধৰিলে।

**চেং ঃ-** চেং হৈছে তাপি (খাগৰিজাতীয় নল গছ) গছৰ ভিতৰত থকা বগা অংশবিশেষেৰে গঁথা এবিধ দকচিৰি (মালা)। প্ৰকৃতিৰ পৰা আহৰণ কৰা এই আকৰ্ষণীয় মালাবিধ মিচিং মহিলাই পিন্ধিলে বৰ শুৱনি দেখিছিল।

**তাকপি ঃ** 'তাকপি' এবিধ তৃণজাতীয় সৰু গছ। এই তাকপিৰ পৰা ওলোৱা মণিলেখিয়া গুটি পূৰঠ হ'লে দকচিৰি (মালা) হিচাপে গাঁঠি লৈ মিচিং ছোৱালী জীয়াৰীয়ে পৰিধান কৰিছিল। বৰ্তমান সময়ত তাকপিৰ ব্যৱহাৰবো বিলুপ্তি ঘটিল বুলিব পাৰি।

**কেস্তু ঃ** কেস্তু হৈছে তাএ্রোম ইচিং (কেকোৰা জাতীয় এবিধ কাঁইটিয়া গছ)ৰ সৰু ডালেৰে তৈয়াৰ কৰা কাণৰ অলংকাৰ। এক ইঞ্চিমান টুকুৰা ডালটোৰ কুণ্ডাত সুন্দৰকৈ ফুল কাটি কেস্তু কাণত পিন্ধিব পৰাকৈ সজা হয়।

**তাদগা ঃ** তাদগবোৰ দগনৌৰ দৰেই বিভিন্ন ৰংৰ মণি-মুকুতা। তাদগবোৰ দগনৌতকৈ অলপ ডাঙৰ, কিন্তু ইয়াকো দগনৌৰ দৰেই মালা গাঁঠি ব্যৱহাৰ কৰা হয়।

**কংগে ঃ** মিচিং মহিলাসকলে ধাতৱজাতীয় বস্তু ব্যৱহাৰ কৰিবলৈ জনাৰ পৰা 'কংগে' (খাৰু) পিন্ধা আৰম্ভ হয় বুলি ক'ব পাৰি। কংগে সকলো বয়সৰ মহিলাই পৰিধান কৰিছিল যদিও পৰিৱেশ আৰু বয়স অনুপাতে নক্সাৰ ধৰণ বিভিন্ন আছিল। বৰ্তমান সচৰাচৰ বজাৰত পোৱা কংগে সমূহকেই প্ৰায়ভাগ মহিলাই ব্যৱহাৰ কৰা দেখা যায়।

মিচিং সকল ভৈয়ামলৈ অহাৰ বহুবছৰ পিছত আহোমসকলো অসমলৈ আহে। চুকাফাৰ বৰ আহোমত সাংস্কৃতিকভাৱে মিচিং সকলেও এদিন চামিল হৈছিল। সেই তেতিয়াৰে পৰা মিচিং সকলেও আহোম ৰজাদিনীয়া অলংকাৰ - মাদলি, গলপতা, জোনবিৰি, জিঞ্জিৰি, চন্দ্ৰহাৰ, জাংফাই, থুৰীয়া, গেজেৰা ইত্যাদি ব্যৱহাৰ কৰিছিল।

**৪.৩ কাৰ্বি জনগোষ্ঠীৰ আ-অলংকাৰ ঃ**

কাৰ্বিসকলৰ আ-অলংকাৰৰ কথা ক'বলৈ হ'লে তেওঁলোকে মানি চলা কিছুমান ৰীতি-নীতিৰ কথাও ক'ব লাগিব। উদাহৰণস্বৰূপে - কাৰ্বি মহিলাসকলক সাধাৰণতে সোণৰ গহণা পিন্ধিবলৈ অনুমতি দিয়া নহৈছিল। কেৱল পুৰুষ সকলেহে স্বৰ্ণালংকাৰ পৰিধান কৰিব পাৰিছিল। মহিলাসকলে পুৰুষৰ তুলনাত অধিক পৰিমানে অলংকাৰ পৰিধান কৰে বাবে তেওঁলোকৰ গহনাত যথেষ্ট পৰিমানে ৰূপ ব্যৱহাৰ হয়। যিদৰে অন্যান্য জনগোষ্ঠীয় লোকে অলংকাৰত সোণ ব্যৱহাৰ কৰে।

**পুৰুষৰ অলংকাৰ ঃ** কাৰ্বি পুৰুষ সকলে সোণৰ লেক পৰিধান কৰে। পুৰুষে পৰিধান কৰা লেকৰ পৰম্পৰাগত নাম হৈছে লেকৰোৱে, লেকছ'বাই আৰু লেকমান্দুলি। পৰিতাপৰ কথা যে এই গহনাবোৰৰ বেছিভাগেই আজিকালি পাবলৈ নাই। কাৰ্বি পুৰুষে কাণত অলংকাৰ পিন্ধে। পুৰুষে কাণত পিন্ধা সোণ, ৰূপেৰে তৈয়াৰী অলংকাৰক ন'ৰিক বুলি কোৱা হয়। কাৰ্বি পুৰুষসকলে কেৱল তামৰ আঙঠি পিন্ধা দেখা যায়।

কাৰ্বি পুৰুষসকলে 'ন' কান্তি নামৰ এখন কটাৰী লগত লৈ ফুৰে। কটাৰীখনতো হাতীৰ দাতৰ হাতল থাকে। আৰু হাতলডাল ৰূপৰ মুদ্ৰাৰে সজোৱা হয়।

**মহিলাৰ অলংকাৰ ঃ** সৌন্দৰ্যবৰ্ধনৰ বাবে কাৰ্বি মহিলাসকলে বিভিন্নধৰণৰ অলংকাৰ পৰিধান কৰে। তেনেধৰণৰ অলংকাৰ সমূহৰ ভিতৰত লেক অৰ্থাৎ কণ্ঠহাৰ, ৰয় আৰ্থাৎ খাৰু আৰনান অৰ্থাৎ আঙুঠি, কেক অৰ্থাৎ নলীয়া কটাৰী, ন'থেংপি অৰ্থাৎ কাণত পিন্ধা গহনা আদি প্ৰধান।

কাৰ্বি মহিলাসকলে ডিঙিত পিন্ধা এবিধ বিশিষ্ট ৰূপৰ গহনা হৈছে লেক। মহিলাসকলে পৰিধান কৰা

কেইবাপ্ৰকাৰৰো লেক পোৱা যায়। যেনে - লেক পেং কাৰা লেক জেং জিৰি, লেকধন, লেকসিকি, লেক পংটিং, লেক পাইকাম, লেক পিলা, লেক ছাংটি আদি। সোণ আৰু ৰূপৰ পইচাৰে বনোৱা লেক পেং কাৰা ৰঙা নীলা মণিৰ মাজে মাজে ৰূপৰ মণি মিহলাই বনোৱা লেক পেং মুইঃ ৰূপৰ কণ্ঠহাৰ পেংজিৰি আদি কাৰ্বি মহিলাৰ প্ৰিয় অলংকাৰ।

ৰয় পেং কাৰা, ৰয় তাহু আৰু ৰয় চেতুং নামৰ তিনি প্ৰকাৰৰ ৰয় কাৰ্বি মহিলাসকলে সৌন্দৰ্য বৰ্ধনৰ বাবে পৰিধান কৰে। পাহাৰ অঞ্চলৰ কাৰ্বি সমাজত বয়সীয়াল মহিলা সকলে ৰূপেৰে বনোৱা 'ৰয় পেং কাৰা' পৰিধান কৰা দেখা যায়। ইয়াত কাইটৰ নিচিনা অৰ্থাৎ 'ইংকি আমেক' অৰ্থাৎ এৰী পলুৰ চকুৰ নিচিনা নক্সা থাকে।

কাৰ্বি মহিলাসকলে কাণত পিন্ধা বাঁহেৰে তৈয়াৰী এপদ বিশেষ ধৰণৰ অলংকাৰ হ'ল 'নংলাংপ' ইয়াৰ বাহিৰেও তেওঁলোকে কাণত পিন্ধা অলংকাৰৰ ভিতৰত 'ন'থেংপি' প্লিৰপ্লাৰ, বাহঁৰ কেৰু আদি উল্লেখযোগ্য। কাৰ্বি সমাজত প্ৰচলিত কেইটামান আঙুঠি হ'ল আৰনান কে এত, আৰনান কেলক, ৰূপ বন্ধা, ছেৰ বন্ধা আদি। এই সমূহ অলংকাৰৰ উপৰিও কাৰ্বি মহিলাসকলে হাতীৰ দাত বা ম'হৰ শিঙেৰে নাল তৈয়াৰ কৰি এখন সৰু নলীয়া কটাৰী সাজি উলিয়াই আৰু লগত লৈ ফুৰে। এই কটাৰীখনক 'ন'কেক' বোলা হয়। কাৰ্বি মহিলাসকলে ব্যৱহাৰ কৰা এই কটাৰীখন ধুনীয়া লাগিবৰ বাবে মিকি এটা লগাই লোৱা হয় আৰু কটাৰীখনে সৌন্দৰ্যবৰ্ধনৰ ইংগিত বহন কৰে। ইয়াৰ উপৰিও বয়সীয়াল কাৰ্বি মহিলা সকলে তামোল খুন্দিবলৈ ব্যৱহাৰ কৰা 'ক' ৰেলন্টক' নামৰ খুন্দনাটো আৰু চূণ সাঁচি ৰাখিবলৈ ব্যৱহাৰ কৰা 'ছাহানি হেম' নামৰ ৰূপৰ সৰু বাকছটোকে কাৰ্বি মহিলাৰ অন্যতম অলংকাৰ বুলি ক'ব পাৰি। এই অলংকাৰ সমূহ পৰিধান কৰাৰ উপৰিও কাৰ্বি মহিলাসকলে সৌন্দৰ্যৰ প্ৰতীক হিচাপে কপালৰ পৰা নাক আৰু ওঁঠৰ মাজেৰে ঠুটৰীলৈকে নীলা বৰণৰ চিহ্ন এডাল আঁকি লয়। ইয়াক 'ডক' বুলি কোৱা হয়। অৱশ্যে বৰ্তমান 'ডক' চিহ্ন তেওঁলোকৰ মাজত দেখা পোৱা নাযায়।

পৰিৱৰ্ত্তিত সময়ৰ লগত খোজ মিলাই আগবাঢ়ি যাওঁতে বৰ্তমান সময়ত পাহাৰ ভৈয়াম উভয়ে কাৰ্বি সমাজত তেওঁলোকৰ জাতীয় সাজপাৰ আৰু আ-অলংকাৰৰ ক্ষেত্ৰতো কিছু পৰিবৰ্তন হোৱা পৰিলক্ষিত হয়। তথাপিও জাতিটোৰ স্বকীয় পৰিচয় দাঙি ধৰা এই উপাদানবোৰৰ সংৰক্ষণ কৰাটো জাতিটোৰ প্ৰতিগৰাকী ব্যক্তিৰ দায়িত্ব আৰু কৰ্তব্য বুলি ভবা উচিত।

## অধ্যায় - ৫

### ৫.০ উপসংহাৰ :

অসমীয়া পৰম্পৰাগত অ-অলংকাৰ বিষয়টি আলোচনা কৰি দেখা গ'লযে সুদূৰ অতীতৰে পৰা অসমত অ-অলংকাৰ পৰিধান কৰা পৰম্পৰা প্ৰচলন হৈ আহিছে। সময়ৰ লগে লগে নানা পৰিবৰ্তনৰ মুখামুখি হৈ অলংকাৰে আধুনিক যুগত যি ৰূপ ধাৰণ কৰে সেই অলংকাৰ সমূহকে সাম্প্ৰতিক সময়তো অসমৰ জাতি-জনগোষ্ঠীয় লোকসকলে পৰম্পৰাগত অলংকাৰ হিচাপে গণ্য কৰি লোৱা দেখা যায়। অৱশ্যে কিছু কিছু জনগোষ্ঠীয় লোকৰ নিজস্ব বৈশিষ্ট্য সম্পন্ন পৰম্পৰাগত অলংকাৰ প্ৰচলন আছে। বিয়াৰ কইনা আৰু বিহু নাচতো নাচনীয়ে পৰম্পৰাগত অসমীয়া গহনা-পাতিবিলাক জনমানসত সমাদৰ লাভ কৰা দেখা যায়। এইখিনি কথাও উল্লেখনীয় যে একসময়ত গছলুৱা আৰু হিৰ সোণৰ অলংকাৰৰ আদৰ বাঢ়িছিল। কিন্তু বৰ্তমান বিশ্বায়নৰ প্ৰভাৱত নিজৰ জাতীয় সম্পদ ৰক্ষণাবেক্ষণৰ মানসিকতা গঢ় লৈ উঠাৰ লগতে জাতীয় অলংকাৰেও সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে আৰু অসমীয়া অ-অলংকাৰ অনলাইন বাণিজ্যিক ক্ষেত্ৰতো আগমন হৈছে।

## গ্ৰন্থপঞ্জী

১। গগৈ লীলা ঃ অসমৰ সংস্কৃতি, গুৱাহাটী ঃ বনলতা, ২০০৯-১০ ছপা

২। কাশ্যপ মৃণালী (সম্পা) ঃ অসমৰ সংস্কৃতি অধ্যয়ন, ভাগৱতী প্ৰকাশন
ৰাজিয়া পথ, গোলাঘাট (২০২০)

৩। দাস যুগল ঃ গহনা-গাঁঠৰি, অসম প্ৰকাশন পৰিষদ,
গুৱাহাটী (১৯৮৮-১৯৯১)

## প্ৰসংগটীকা

ক) কাশ্যপ, ড০ মৃণালী : অসমৰ সংস্কৃতি অধ্যয়ন, পৃঃ ২৫১ -২৫৪

খ) দাস, মৃণাল : গহনা পাতিনি, পৃ : ৩-১৭

<u>তথ্য দাতাৰ তালিকা</u>

| | | |
|---|---|---|
| ক) | নাম ঃ | শ্ৰীমতী লিলি খাটনীয়া |
| | বয়স ঃ | ৩৯ |
| | জীৱিকা ঃ | গৃহিনী |
| | ঠিকনা ঃ | গাওঁ - মহিমাবাৰী, ডাকঘৰ - মহিমাবাৰী, তিতাবৰ<br>জিলা - যোৰহাট, অসম। |
| খ) | নাম ঃ | শ্ৰীমতী জোনালী দাস। |
| | বয়স ঃ | ৩২ |
| | জীৱিকা ঃ | নাৰ্চ |
| | ঠিকনা ঃ | গাওঁ - মহিমাবাৰী, ডাকঘৰ - মহিমাবাৰী, তিতাবৰ<br>জিলা - যোৰহাট, অসম। |
| গ) | নাম ঃ | শ্ৰীমতী পুষ্প হাজৰিকা |
| | বয়স ঃ | ৫৭ |
| | জীৱিকা ঃ | গৃহিনী |
| | ঠিকনা ঃ | গাওঁ - মহিমাবাৰী, ডাকঘৰ - মহিমাবাৰী, তিতাবৰ<br>জিলা - যোৰহাট, অসম। |